সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ, ০২ সংখ্যা,২৬ পুহ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 02 Date of Publication- 11 January 2026 Rs. 10.00/-

## এডিআৰইৰ তৃতীয় বৰ্গৰ ৬, ৩৪৭ প্ৰাৰ্থীক নিযুক্তি-পত্ৰ বিতৰণ মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- নিকা প্ৰশাসন, সেৱাত সততা আৰু স্বচ্ছ তথা মেধাভিত্তিক নিযুক্তিৰ জৰিয়তে আগুৱাই যোৱাৰ চৰকাৰী প্ৰতিশ্ৰুতি পুনৰ পূৰণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত এক অনুষ্ঠানত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা (এডিআৰই)ৰ জৰিয়তে নিৰ্বাচিত তৃতীয় বৰ্গৰ পদৰ ৬, ৩৪৭ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰে। এই নিযুক্তিৰ লগে লগে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ অধীনত মুঠ চৰকাৰী নিযুক্তিৰ সংখ্যাই ১, ৫৬, ৬৭৯ৰ ঘৰ স্পৰ্শ কৰিলে। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বৰ্তমানৰ ৰাজ্য চৰকাৰে মেধাৰ ভিত্তিত নিকা আৰু স্বচ্ছভাৱে চৰকাৰী চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ ৰূপত এক ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। এই ব্যৱস্থাৰ জৰিয়তে চৰকাৰৰ স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তিৰ পৰিসংখ্যাই ১.৫৬ লাখৰ ঘৰ অতিক্ৰম কৰিছে। লগতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত নিৰ্বাচিত বাকী থকা প্ৰাৰ্থীসকলৰ নিযুক্তি প্ৰক্ৰিয়া অহা ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে সম্পূৰ্ণ কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো স্বচ্ছ আৰু আইনী জটমুক্ত হৈ আছে তথা উচ্চন্যায়ালয়ত ইয়াৰ বিৰুদ্ধে কোনো গোচৰ তৰা হোৱা নাই। অসমৰ এই মেধাভিত্তিক নিযুক্তিৰ আৰ্হি এতিয়া ভাৰতৰ অন্যান্য ৰাজ্যই অধ্যয়ন কৰি আছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে যোৱা ২০২৩ চনৰ ১০ মে'ত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে ২৪, ৭৮৭ গৰাকী ( দুই পৃষ্ঠাত চাওক)

## বিজেপিৰ ৰাজহুৱা প্ৰচাৰ অভিযান "আকাংক্ষা ৰাইজৰ, বিজেপিৰ সংকল্প"ৰ শুভাৰম্ভ




ৰঙিলী বাৰ্ত্তাসেৱা- অসম বিধানসভা নিৰ্বাচনক লক্ষ্য কৰিয়েই বাজপেয়ী ভৱনৰ পৰা আৰম্ভ হ'ল এক বিশেষ যাত্ৰাৰ। বিজেপিৰ সংকল্প প্ৰস্তুতিৰ বাবেই শাসকীয় দলটোৱে ২০২৬ৰ বাবে ৰাজহুৱা প্ৰচাৰ অভিযান "আকাংক্ষা ৰাইজৰ, বিজেপিৰ সংকল্প"ৰ শুভাৰম্ভ কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই শুভাৰম্ভ কৰা এই যাত্ৰাৰ কাৰ্যসূচী উপলক্ষে বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত সভাপতি দিলীপ শইকীয়াই বিধানসভা নিৰ্বাচনৰ বাবে ৰাইজৰ পৰা চাৰিটা মাধ্যমেৰে পৰামৰ্শ গ্ৰহণ কৰি দলে সংকল্প প্ৰস্তাৱ প্ৰস্তুত কৰিব (দহ পৃষ্ঠাত চাওক)

## এলীট ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক লাভ লাভলীনাৰ




লাভলীনাই ৰে'লৱেৰ চানামাচা চানু

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যবাসীক নৱবৰ্ষৰ উপহাৰ দিলে তাৰকা মহিলা বক্সাৰ অসম সন্তান লাভলীনা বৰগোহাঁয়ে। উত্তৰ প্ৰদেশৰ গ্ৰেটাৰ নয়দাৰ গৌতম বুদ্ধ ইউনিভাৰ্চিটাত সামৰণি পৰা এলীট পুৰুষ-মহিলা ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত স্বৰ্ণ পদক জয় কৰি উজলি উঠিল লাভলীনা। মহিলা শাখাৰ ৭৫ কেজিৰ ফাইনেল মেচখনত ( দুই পৃষ্ঠাত চাওক)

## ওড়িশাত জৰুৰী অৱতৰণৰ সময়তে দুৰ্ঘটনাত পতিত বিমান



ৰঙিলী বাৰ্ত্তাসেৱা- ওড়িশাৰ ৰূড়কেলা বিমান বন্দৰৰ সমীপত সংঘটিত ভয়ংকৰ বিমান দুৰ্ঘটনা। জগাদা ব্লকৰ সমীপত দুৰ্ঘটনাত পতিত হয় এখন চাৰ্টাৰ্ড বিমান। জৰুৰীকালীন অৱতৰণৰ সময়তে এখন ( দুই পৃষ্ঠাত চাওক)

## ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত চূড়ান্ত হ'ব বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তালিকাঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত চূড়ান্ত হ'ব আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তালিকা। বিজেপি জেদী পাৰ্টী নহয়। এই ঘোষণা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- বিজেপিৰ ফালৰ পৰা কোনো জেদ নাই। অগপই যদি জিকিব পৰা আসন আছে, তেন্তে তেওঁলোকে তাত খেলক। বিপিএফ-ইউপিপিএলৰ মিত্ৰতাটো হ'লে ভাল। গতিকে সকলো পৰ্যালোচনা কৰি শেষত আমি স্থিৰ কৰিম যে বিজেপিয়ে কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিজেপি বহুত (দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী

# বিষাক্ত প্ৰহৰ




২০২৫ অক বিদাই দি হাঁহ, পাৰ, ছাগলী, কুকুৰা মাংসৰে উদৰ পুৰাই ২০২৬ বৰ্ষটোক বৰ আগ্ৰহেৰে আদঁৰিলো। অশ্ৰুসিক্ত নয়নেৰে ২০২৫ অক পুনৰ ঘূৰি নহাৰ বাটেৰে বিদায় দিলো। কিনো পালো, কিনো হেৰুৱালো হিচাপ নিকাচত বহুতেই দেখিলো তুলাচালনীখনৰ পোৱা ফালটো আকাশ স্পৰ্শ কৰিছে আৰু তাৰ বিপৰীতে হেৰুৱাৰ ফালটোৰে মাটি। ঠিক তাৰ লগে লগে মুনাফালোভী এদল নৰপিশাচৰ মাৰাথান দৌৰ তুংগত। ব্যক্তিগত মুনাফা আদায়ৰ অলিম্পিকত নিৰ্ঘাট প্ৰথম পুৰস্কাৰৰ দাবীদাৰ আমাৰ মাজৰে এচাম নৰপিশাচে ২০২৫ বৰ্ষটোক কেতিয়াও মচিব নোৱাৰা কলংকৰে কলঙ্কিত কৰি তুলিলে। সকলো মানৱীয় গুণ ভৰিৰে মোহাৰী ৰক্ত পিপাসু এচামে বিশ্ববাসীৰ আগত মানুহ হৈ জন্ম লভাৰ গৰ্ব কণ ধূলিসাৎ কৰি লক্ষ লক্ষ জনতাক কন্দুৱাই বহুতো মৰমৰ টুকুৰা আমাৰ পৰা কাঢ়ি লৈ গ'ল। নিকৃষ্ট ৰাজনীতিৰ মেৰপাকত দিশহাৰা বিগত ২০২৫। আকাশে বতাহে যেন কেৱল বিষ বিষ বিষ মাথো বিষ। পিছে এই গৰল অৰ্থাৎ বিষ পান কৰিবলৈ আমাৰ মাজত মহাদেৱৰ অভাৱ।

ইংৰাজী নৱবৰ্ষৰ প্ৰাককণত দেৱাদিদেৱ মহাদেৱলৈ কৰ যোৰে অন্তৰৰ নিভৃত কোনৰ পৰা মাথো প্ৰাৰ্থনা, আকৌ এবাৰ মহাদেৱৰ ৰুদ্ৰ ৰূপে সমাজৰ গৰল পান কৰি, বিষাক্ত প্ৰহৰ বিহীন এখন সুস্থ, নিকা, মানৱীয় গুণৰ সমাহাৰেৰে ২০২৬ বৰ্ষটোক উজ্জ্বলাই তোলে যেন।

# এলীট ৰাষ্ট্ৰীয় বক্সিং

থ'কচ'মক পৰাস্ত কৰি স্বৰ্ণ পদক অৰ্জন কৰে। মেচখনত অসম কন্যা লাভলীনাই ৰে'লৱেৰ প্ৰতিদ্বন্দ্বীগৰাকীক প্ৰত্যাহ্বান জনোৱাৰ কোনো সুযোগেই দিয়া নাছিল। একপক্ষীয় মেচখনত লাভলীনাই ৰে'লৱেৰ প্ৰতিদ্বন্দ্বীগৰাকীক ৫-০ ব্যৱধানত পৰাস্ত কৰি স্বৰ্ণ পদক দখল কৰে। পুৰুষ আৰু মহিলা বক্সাৰৰ মাজত সমান্তৰালভাৱে প্ৰথমবাৰৰ বাবে অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমে তিনিটা পদক অৰ্জন কৰিবলৈ সক্ষম হয়। লাভলীনাৰ উপৰি অসমৰ আন দুগৰাকী প্ৰতিভাৱান বক্সাৰ অংকুশিতা বড়ো আৰু গীতিমণি গগৈয়ে ব্ৰঞ্জৰ পদক জয় কৰিবলৈ সক্ষম হয়। অংকুশিতাই শুকুৰবাৰে হৈ যোৱা ৫৪-৬০ কেজি শাখাৰ ছেমিফাইনেলত ৰে'লৱেৰ প্ৰিয়াৰ হাতত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে গীতিমণিয়ে ৬৫-৭০ কেজিৰ ছেমিফাইনেলত সৰ্বভাৰতীয় পুলিচৰ স্নেহাৰ হাতত পৰাস্ত হৈ ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ইয়াৰ পূৰ্বে প্ৰতিযোগিতাখনৰ শুকুৰবাৰৰ ছেমি ফাইনেলত লাভলীনাই পৰাক্ৰমী প্ৰদৰ্শনৰ জৰিয়তে উত্তৰ প্ৰদেশৰ প্ৰতিপক্ষ ইমৰজ খানক ৫-০ পইণ্টত পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

# পশ্চিমবংগ চৰকাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হ'ল ইডি



ৰঙিলী বাৰ্ত্তাসেৱা- মমতা বেনাৰ্জী চৰকাৰৰ বিৰুদ্ধে তদন্তত বাধা দিয়াৰ অভিযোগ উত্থাপন কৰি উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰেট, চমুকৈ ইডি। ৰাজনৈতিক পৰামৰ্শ প্ৰদানকাৰী সংস্থা আইপেকত তালাচী চলোৱাৰ পথত পশ্চিমবংগ চৰকাৰৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে বাধা দিয়াৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে ইডি। আইপেকৰ মুখ্য কাৰ্যালয় আৰু সংস্থাটোৰ সঞ্চালক প্ৰতীক জৈনৰ কলকাতাৰ বাসভৱনত তালাচী চলোৱাৰ সময়তে বাধাৰ সন্মুখীন হৈছিল তদাৰকী সংস্থাটোৰ বিষয়াসকল। সংস্থাটোৰ অভিযোগ অনুসৰি কয়লা কেলেংকাৰিৰ তদন্তৰ বাবে আই-পেকৰ কাৰ্যালয়ত থকা নথি-পত্ৰ আৰু তথ্যসমূহ পৰীক্ষা কৰাটো দৰকাৰী আছিল। কিন্তু ৰাজ্য প্ৰশাসনে বাধা দিয়া অভিযান সঠিকভাৱে পৰিচালনা কৰাত তেওঁলোক ব্যৰ্থ হ'ল। ইডিৰ মতে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় সংস্থাক কামত বাধা দিয়াটো আইনৰ উলংঘা। লগতে তদন্ত প্ৰক্ৰিয়াক স্থবিৰ কৰিবলৈ চেষ্টা কৰা বুলি ইডিয়ে দাবী কৰিছে। পূৰ্বেও পশ্চিমবংগত সন্দেশখালীৰ ন্দশখালীৰ দৰে অঞ্চলত তদন্ত চলাবলৈ যাওঁতে ইডিৰ ওপৰত হোৱা আক্ৰমণৰ উদাহৰণ দাঙি ধৰিছে সংস্থাটোৱে। উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ বিচাৰি ইডিয়ে দাবী কৰে যে ৰাজ্য প্ৰশাসনৰ কাৰ্যই বৈধ তদন্ত প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিছে। ইফালে আইপেকৰ মুৰব্বী প্ৰতীক জৈনৰ পৰিয়ালেও কলকাতা উচ্চ ন্যায়ালয়ত অভিযোগ দাখিল কৰিছিল। ইয়াৰ পিছতে ইডিৰ বিষয়াসকলেও ন্যায়াধীশৰ কাৰ্যালয়ত উপস্থিত হৈ এখন এজাহাৰ দাখিল কৰে। ইডিৰ শেহতীয়া তালাচীৰ বিৰুদ্ধে কালি মমতাৰ নেতৃত্বত প্ৰতিবাদী কাৰ্যসূচীও গ্ৰহণ কৰা হৈছিল। দলটোৰ নিৰ্বাচনী নথি-পত্ৰ চুৰি কৰি নিয়া বুলি অভিযোগ তুলি দিল্লীতো টিএমচিৰ সাংসদকৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ইয়াৰ পিছতে ইডিয়ে সংস্থাটোৰ কামত বাধা দিয়া বুলি পশ্চিমবংগ চৰকাৰৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত গোচৰ তৰাটোৱে বিশেষ তাৎপৰ্য বহন কৰিছে।

# ওড়িশাত জৰুৰী অৱতৰণৰ

ব্যক্তিগত বিমান দুৰ্ঘটনাত পতিত হৈ দুজন বিমানকৰ্মীসহ ৬জন লোক আহত হয়। শনিবাৰে দুপৰীয়া ওড়িশাৰ ৰুৰকেল্লাৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰত চি-২০৮ নম্বৰৰ বিমানখন দুৰ্ঘটনাত পতিত হয়। দুৰ্ঘটনাত আটাইকেইজন যাত্ৰীয়েই আহত হয় যদিও বৰ্তমান সকলো সুস্থিৰ বুলি ওড়িশাৰ বাণিজ্য তথা পৰিবহণ মন্ত্ৰী বি বি জেনাই সদৰী কৰিছে। ইণ্ডিয়া বান এয়াৰলাইন্‌ৰ বিমানখন ভুবনেশ্বৰৰ পৰা ৰুৰকেল্লা অভিমুখে বাওনা হৈছিল। অৱতৰণৰ কিছুসময় পূৰ্বেই যান্ত্ৰিক বিজুতিৰ বাবে পাইলটে জৰুৰী অৱতৰণৰ চেষ্টা চলোৱাৰ সময়তে দুৰ্ঘটনাত পতিত হয়। উদ্ধাৰকাৰী দলে আহত যাত্ৰীসকলক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে এই দুৰ্ঘটনাৰ সঠিক কাৰণ এতিয়াও জানিব পৰা হোৱা নাই।। এই ঘটনাৰ পাছতে ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন মাঝিয়ে সামাজিক মাধ্যমত পোষ্ট লিখা পৰিলক্ষিত হয়। তেওঁ লিখিছে- ৰুড়কেলাত সংঘটিত বিমান দুৰ্ঘটনাৰ বিষয়ে জানিবলৈ পাই মই অত্যন্ত দুখিত হৈছোঁ। ভগৱান জগন্নাথৰ কৃপাত সকলো যাত্ৰী সুৰক্ষিত হোৱাৰ খবৰে আশ্বস্ত কৰিছে। মই নিৰ্দেশ দিছোঁ যে এই কাণ্ডত আহতসকলক তাৎক্ষণিকভাৱে সঠিক চিকিৎসা সেৱা প্ৰদান কৰা হওঁক । মই ব্যক্তিগতভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছোঁ ।

# এডিআৰইৰ তৃতীয় বৰ্গৰ ৬, ৩৪৭

প্ৰাৰ্থীক নিৰ্বাচন কৰা হৈছিল, যাৰ ভিতৰত ১১, ০৮৪ গৰাকীক তৃতীয় বৰ্গৰ আৰু ১৩, ৭৩৯গৰাকীক চতুৰ্থ বৰ্গৰ পদত নিযুক্তি দিয়া হৈছিল। দ্বিতীয় পৰ্যায়ত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে ৫০টা চৰকাৰী বিভাগৰ বাবে ৬ সহস্ৰাধিক প্ৰাৰ্থীক নিৰ্বাচন কৰা হয় আৰু নথিপত্ৰ পৰীক্ষাৰ অন্তত ৬, ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক চৰকাৰী নিযুক্তিৰ বাবে যোগ্য বুলি বিবেচিত কৰা হয়। মুঠ প্ৰাৰ্থীৰ ভিতৰত সৰ্বাধিক ১, ৭৬৪ গৰাকীক কৃষি বিভাগত, তাৰ পাছতে ৭৭২গৰাকীক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত, ৪৬০ গৰাকীক বিদ্যালয় শিক্ষা বিভাগত আৰু ৪৩৩ গৰাকীক সাধাৰণ প্ৰশাসন বিভাগত নিযুক্তি দিয়া হৈছে। তদুপৰি জলসিঞ্চন বিভাগত ২৮০, গৃহ আৰু ৰাজনৈতিক বিভাগত ১৭১, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগত ২৬১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। নৱনিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক অভিনন্দন জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-স্বচ্ছ আৰু মেধাভিত্তিক ব্যৱস্থাৰ জৰিয়তে চৰকাৰী চাকৰিত তেওঁলোকৰ এই নিযুক্তি এক মাইলৰ খুঁটি স্বৰূপ, যাৰ অৰ্থ হ'ল যে নিয়োগকৰ্তা আৰু কৰ্মচাৰী উভয়ে চৰকাৰী চাকৰিৰ ক্ষেত্ৰত নিকা আৰু স্বচ্ছতা অৱলম্বন কৰিছে। গতিকে নৱনিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক চৰকাৰী সেৱা আগবঢ়োৱাৰ সময়ত কোনোধৰণৰ অসৎ কামত লিপ্ত নহ'বলৈ তেওঁ আহ্বান জনায়। নৱনিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক দুৰ্নীতিৰ বিৰুদ্ধে একো একোজন যুঁজাৰু হিচাপে কাম কৰিবলৈ আৰু চৰকাৰী ব্যৱস্থাৰ ভিতৰত যাতে আন কোনেও দুৰ্নীতিত লিপ্ত নহয় সেয়া নিশ্চত কৰিবলৈও আহ্বান জনাই তেওঁ দুখীয়া আৰু পিছপৰা শ্ৰেণীৰ প্ৰয়োজনৰ প্ৰতি অত্যন্ত বিনম্ৰ আৰু দয়ালু হ'বলৈও পৰামৰ্শ দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কৰ্মক্ষেত্ৰত দায়িত্ব পালন কৰাৰ লগতে সমাজৰ দৰিদ্ৰ আৰু দুৰ্বল শ্ৰেণীয়ে যাতে তেওঁলোকৰ পৰা উচ্চমানৰ সেৱা লাভ কৰে, সেয়াও নৱনিযুক্ত কৰ্মচাৰীসকলে নিশ্চত কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে নতুনকৈ নিযুক্তি পোৱাসকলক 'টীম আছাম'ৰ মনোভাব গঢ়ি তুলিবলৈ আৰু ৰাজ্য প্ৰশাসনত অধিক ইতিবাচক পৰিৱৰ্তন অনাত সহায় কৰিবলৈ আহ্বান জনাই কয়-প্ৰতিগৰাকী নৱনিযুক্তই যাতে ফাইলৰ কাম-কাজ দ্ৰুতগতিত নিষ্পত্তি কৰাৰ বাবে সহযোগিতামূলক মনোভাব গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে পৰ্যবেক্ষণ কৰে যে বহু চৰকাৰী কৰ্মচাৰীয়ে কেৱল চাকৰি নোপোৱালৈকেহে নতুন কথা শিকাৰ আগ্ৰহ বজাই ৰাখে। ফলস্বৰূপে, তেওঁলোক নিজৰ নিজৰ ক্ষেত্ৰত আহি থকা নতুনত্বৰ বিষয়ে অজ্ঞ হৈ থাকে। এই সজাগতাৰ অভাৱে তেওঁলোকক নিজৰ কামৰ মান উন্নত কৰাত বাধা দিয়ে আৰু জনসেৱাত তেওঁলোকৰ সামগ্ৰিক প্ৰভাৱ সীমিত কৰে। সেয়েহে তেওঁ নৱনিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীসকলক তেওঁলোকৰ সেৱাৰ অন্তিম দিনলৈকে নিৰন্তৰ শিকাৰ মানসিকতা আৰু জ্ঞান আহৰণৰ ধাৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে নৱনিযুক্তিপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলক তেওঁলোকৰ প্ৰথম দৰমহাৰে পিতৃ-মাতৃৰ বাবে কিবা এটা উপহাৰ দিবলৈ আৰু সম্ভৱ হ'লে তেওঁলোকৰ পৰৱৰ্তী দৰমহাৰে নিজ নিজ অঞ্চলৰ নামঘৰ তথা অন্যান্য ধৰ্মীয় অনুষ্ঠানৰ বাবে কিবা এটা বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনায়। এই নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী অতুল বৰা, বিমল বড়া, মেয়ৰ মৃগেন শৰণীয়া, মুখ্য সচিব ড° ৰবি কোটা, কৃষি বিভাগৰ আয়ুক্ত সচিব অৰুণা ৰাজ'ৰিয়া, সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নন আৰু আন কেইবাগৰাকীও গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

# ৪, ৩৬৯ এডিআৰই উত্তীৰ্ণ চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাত নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে নিৰ্বাচিত চতুৰ্থ বৰ্গৰ পদৰ ৪, ৩৬৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰে। এই নিযুক্তিৰ জৰিয়তে বৰ্তমানৰ ৰাজ্য চৰকাৰৰ কাৰ্যকালত চৰকাৰী পদত নিযুক্তিৰ সংখ্যা ১ লাখ ৫০ হাজাৰ ৩৩গৰাকী হ'লগৈ। উল্লেখ্য যে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে ২০২৩ চনৰ ১০ মে'ত প্ৰথমবাৰলৈ ২৪, ৭৮৭গৰাকী নিৰ্বাচিত প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰিছিল। ইয়াৰে ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে নিৰ্বাচিত কৰা ১১, ০৪৮ গৰাকী প্ৰাৰ্থীক তৃতীয় বৰ্গৰ পদত আৰু ১৩, ৭৩৯ গৰাকী প্ৰাৰ্থীক চতুৰ্থ বৰ্গৰ পদত নিযুক্তি দিয়া হৈছিল। দ্বিতীয় পৰ্যায়ত ২০২৩-২৪ বৰ্ষত চতুৰ্থ বৰ্গৰ পদসমূহ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰি আজি ৪, ৩৬৯ গৰাকী প্ৰাৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান কৰা হয়। এই নিযুক্তি-পত্ৰ প্ৰদান অনুষ্ঠানতেই মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মন্তব্য- পূৰ্বে চাকৰি পোৱা মানেই পিতৃ-মাতৃৰ চিকিৎসা ব্যয়ৰ দুশ্চিন্তা আঁতৰিছিল। সেই দিনবোৰত চৰকাৰী চাকৰি মানেই পৰিয়ালৰ অভাৱ-অনাটন দূৰ কৰাত আশাৰ বেঙনি দেখিছিল নিযুক্তি লাভ কৰা যুৱক-যুৱতীয়ে। কিন্তু এতিয়া চৰকাৰী চাকৰি পোৱা মানেই পালন কৰিব লাগিব দেশ আৰু জাতি ৰক্ষাৰ দায়িত্ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- চৰকাৰী চাকৰিৰে মাথোঁ পৰিয়ালৰ অভাৱ-অনাটন দূৰ কৰাই লক্ষ্য হ'ব নোৱাৰে। এই চাকৰিৰে পালন কৰিব লাগিব অসমীয়া জাতিৰক্ষাৰ দায়িত্ব। এই জাতিৰক্ষাৰ বাবেই



অধিক সন্তান জন্ম দিবলৈও আজি আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে। নিযুক্তি লাভ কৰা ৪, ৩৭৪ গৰাকী প্ৰাৰ্থীক উদ্দেশ্যি তেওঁ কয়- যাৰ যাৰ বিয়া হোৱা নাই, এবছৰৰ ভিতৰতেই বিয়া পাতিব লাগে। আজিকালি বিয়া কৰাবলৈ বহু বয়স উকলি যায়। এনে কৰোঁতে কৰোঁতে অসমীয়া মানুহৰ সংখ্যা লাহে লাহে কমি গৈ আছে। অসমীয়া গাঁৱত গ'লে আজিকালি শিশু দেখিবলৈ পোৱা নাযায়। কিন্তু এনেকুৱা লোক আছে, যাৰ ঘৰত ৮টালৈ শিশু দেখিবলৈ পোৱা যায়। কিন্তু দেৰিকৈ বিয়া পাতোঁতে পাতোঁতে অসমীয়া মানুহৰ সংখ্যা নোহোৱা

(দহ পৃষ্ঠাত চাওক)

# জানুৱাৰীতেই ৰাজহুৱা হ'ব গৌৰৱ গগৈৰ পাকিস্তান লিংকঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- জানুৱাৰী মাহতেই ৰাজহুৱা হ'ব গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্য। এই কথা ঘোষণা কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে থকা সম্পৰ্কৰ যি ঘটনা, তাৰ গোটেই কাগজ-পত্ৰ আমি সাজু কৰি লৈছোঁ। সোনকালেই ইয়াক ৰাজহুৱা কৰা হ'ব। জুবিন গাৰ্গৰ হত্যাৰ ঘটনাটোৰ বাবেই কিছু অপেক্ষা কৰিব লগা হ'ল, নহ'লে ছেপ্টেম্বৰ মাহতে দিয়াৰ কথা আছিল। কিন্তু ১৯ ছেপ্টেম্বৰত ঘটনাটো ঘটি গ'ল। এতিয়া আমি ঠিক কৰি লৈছো, এটা সৰু ক্লিয়াৰিফিকেচন গৃহ মন্ত্ৰণালয়ৰ পৰা আহিবলৈ বাকী আছে। কিন্তু সেইটো আহক বা নাহক আমি জানুৱাৰী মাহৰ ভিতৰতে যিমানখিনি দিব পাৰো, সেই গোটেইখিনি আপোনালোকক দিম। বিষয়টো অসমৰ ৰাইজে জনা দৰকাৰ। বিষয়টো ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰা হ'ব। উল্লেখ্য যে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ পাকিস্তান সংযোগৰ তথ্য যোৱা ১০ ছেপ্টেম্বৰত ফাদিল কৰাৰ কথা ইতিপূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰিছিল যদিও পৰৱৰ্তী সময়ত বিভিন্ন ঘটনাৰ বাবে এই প্ৰতিবেদন ৰাজহুৱা কৰা নহ'ল। সমগ্ৰ বিষয়টোক লৈ শাসকীয় চৰকাৰখনে ৰাজনীতি কৰিছে বুলি বিৰোধীয়ে অভিযোগ কৰি আহিছে যদিও এনে অভিযোগক নস্যাৎ কৰি মুখ্যমন্ত্ৰীৰ মন্তব্য

(দহ পৃষ্ঠাত চাওক)

# জুবিন গাৰ্গৰ ন্যায়ৰ বাবে বিশেষ লোক অধিবক্তাৰ দল গঠন



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শুকুৰবাৰে নিশা দিছপুৰৰ লোকসেৱা ভৱনত অসম চৰকাৰৰ সাপ্তাহিক কেবিনেট বৈঠক অনুষ্ঠিত হয়। কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ সংবাদমেলযোগে সদৰি কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই জানিবলৈ দিয়ে যে ৰাজ্যিক কেবিনেটে জুবিন গাৰ্গ হত্যাৰ বিচাৰ প্ৰক্ৰিয়াত অসম চৰকাৰৰ হৈ আদালতত যুক্তি প্ৰদৰ্শনৰ বাবে বিশেষ লোক অধিবক্তাৰ এটা দল গঠনত অনুমোদন জনায়। এই দলটোত বিশেষ লোক অধিবক্তা হিচাপে থাকিব জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰ, অতিৰিক্ত বিশেষ লোক অধিবক্তা হিচাপে থাকিব ব্ৰজেন মোহন চৌধুৰী। আনহাতে সহকাৰী লোক অধিবক্তা হিচাপে থাকিব কিশোৰ দত্ত, প্ৰাঞ্জল দত্ত আৰু বিকাশ জামাৰ। কেবিনেটে জুবিন গাৰ্গৰ স্মৃতিৰক্ষাৰ বাবে পৰিয়াল আৰু শুভাকাংক্ষীয়ে গঠন কৰা জুবিন গাৰ্গ ন্যাসলৈ ৰাজ্য চৰকাৰৰ তৰফৰ পৰা এককালীনভাৱে ৫ কোটি টকাৰ বৰঙণি আগবঢ়োৱাত অনুমোদন জনায়। কেবিনেটে বড়ো সাহিত্য সভাক

(দহ পৃষ্ঠাত চাওক)

# আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদত চামিল সাংসদ অজিত ভূঞাৰ জাতীয় দল



ৰঙিলী বাৰ্ত্তাসেৱা- লুৰীণজ্যোতি গগৈৰ নেতৃত্বৰ অসম জাতীয় পৰিষদত চামিল হ'ল ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ নেতৃত্বৰ জাতীয় দল অসম। এতিয়াৰে পৰা অজাপ হ'ল ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ নতুন ঠিকনা। দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ সভাকক্ষত আয়োজন কৰা এক অনুষ্ঠানত জাতীয় দল অসমক অজাপত চামিল কৰি সাংসদ অজিত কুমাৰ ভূঞাই আনুষ্ঠানিকভাৱে অজাপত যোগদান কৰে। অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈ, কাৰ্যকৰী সভাপতি ৰাজেন গোঁহাই আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই সাংসদ অজিত কুমাৰ ভূঞাক দলত আদৰণি জনায়। অজাপৰ নেতৃত্বই আশা প্ৰকাশ কৰে যে অজিত কুমাৰ ভূঞা নেতৃত্বাধীন দলটোৰ চামিলকৰণে অসম জাতীয় পৰিষদক আৰু অধিক শক্তিশালী কৰিব । এই উপলক্ষে আয়োজিত এক সভাত বক্তব্য প্ৰদান কৰি সাংসদ ভূঞাই কংগ্ৰেছ দলৰ নেতৃত্বক বিজেপি মিত্ৰজোঁটক পৰাভূত কৰাৰ স্বাৰ্থতে বিৰোধী ঐক্য শক্তিশালী কৰিবলৈ আহ্বান জনাই নিজকে

(দহ পৃষ্ঠাত চাওক)

# লোকপিয়লে আমাৰ বাবে দুৰ্ভাগ্যৰ বাতৰি কঢ়িয়াই আনিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অহা ১ এপ্ৰিলৰ পৰা দেশত আৰম্ভ হ'ব লোকপিয়ল। প্ৰথমবাৰৰ বাবে জাতি পিয়লো হ'ব। কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা এই অধিসূচনাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০২৭চনৰ লোকপিয়লে অসমলৈ আৰু দুৰ্ভাগ্যৰ বাতৰি কঢ়িয়াই আনিব। অসমত বাংলাদেশী মুছলমানৰ সংখ্যা প্ৰায় ৪০ শতাংশ

( নপৃষ্ঠাত চাওক)

# পঞ্চভূতত বিলীন প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থ



ৰঙিলী বাৰ্ত্তাসেৱা- পঞ্চভূতত বিলীন হ'ল অসম বিজেপিৰ পিতামহ কবীন্দ্ৰ পুৰকায়স্থৰ নশ্বৰদেহ। বৃহস্পতিবাৰে শিলচৰ শ্মশানঘাটত ৰাষ্ট্ৰীয় মৰ্যাদাৰে ভাৰতীয় জনতা পাৰ্টীৰ বৰ্ষীয়াণ নেতা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰপুৰকায়স্থৰ শেষকৃত্য সম্পন্ন হয়। বুধবাৰে সন্ধিয়া ৯৫ বছৰ বয়সত পৰলোকপ্ৰাপ্তি হোৱা কবীন্দ্ৰ পুৰকায়স্থক বৃহস্পতিবাৰে পুৱা শিলচৰৰ বাসগৃহত অজস্ৰ নেতা-কৰ্মী গুণমুগ্ধই উপস্থিত হৈ প্ৰিয় ৰাজনীতিবিদগৰাকীক শেষ শ্ৰদ্ধা (নপৃষ্ঠাত চাওক)

# সন্দেহযুক্ত নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কাটিব বিচাৰিছোঁঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ চমুকৈ এছ আৰৰ জৰিয়তে ভোটাৰৰ নাম কৰ্তনৰ বিষয়টোক লৈ ৰাজ্যৰ ৰাজনীতি গৰম হৈ আছে। ৰাজ্যত চলি থকা ভোটাৰ তালিকা সংশোধনীত শাসকীয় দলটোৱে বহু ভোটাৰৰ নাম কৰ্তন কৰা বুলি বিৰোধীয়ে তুলি অহা অভিযোগক উভতি ধৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মই নিজেই কৈ আছো যে যিমান পাৰে সন্দেহজনক লোকসকলৰ ওপৰত অভিযোগ দিয়ক। আমি সন্দেহযুক্ত নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিব বিচাৰিছোঁ। আমি আমাৰ বিএলঅ'সকলক মই নিৰ্দেশ দিছোঁ যাতে সন্দেহজনক মিঞা মুছলমানৰ ভোটাৰৰ নাম কৰ্তন কৰিবলৈ। এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। উল্লেখ্য যে ভোটাৰ তালিকাৰ সংশোধনীৰ নামত নিৰ্বাচন আয়োগৰ বিসংগতিপূৰ্ণ কাম-কাজক লৈ বিৰোধীয়ে যথেষ্ট সৰব হৈ থকাই নহয়, শেহতীয়াকৈ বিধায়ক অখিল গগৈয়ে তথা কংগ্ৰেছেও অভিযোগ তুলিছে যে বিজেপিয়ে বিএলঅ'ৰ জৰিয়তে ভোটাৰৰ নাম কৰ্তন কৰি আন বহু লোকৰ নাম অন্তৰ্ভুক্ত কৰিছে। বিষয়টোক লৈ (নপৃষ্ঠাত চাওক)

# ভাৰতৰ ওপৰত ৫০০ শতাংশ শুল্ক আৰোপ কৰিব ট্ৰাম্পে



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতে ৰাছিয়াৰ পৰা তেল ক্ৰয় কৰি থকাৰ বাবে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতৰ ওপৰত অধিক উচ্চ হাৰত পুনৰ শুল্কৰ বোজা জাপি দিবলৈ আগবাঢ়িছে। ৰাছিয়াৰ ওপৰত পোটক তুলিবলৈ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ সৈতে বাণিজ্যিক লেনদেন কৰা দেশসমূহৰ ওপৰত ৫০০ শতাংশ শুল্ক আৰোপৰ বাবে তৎপৰতা আৰম্ভ কৰিছে। সম্প্ৰতি ৰাছিয়াৰ পৰা তেল আৰু ইউৰেনিয়াম ক্ৰয় কৰি থকা দেশসমূহক লক্ষ্য কৰি প্ৰস্তুত কৰা 'ছেংকশ্বনিং ৰাছিয়া এক্ট ২০২৫' নামৰ এখন দ্বিপাক্ষিক বিধেয়কত ট্ৰাম্পে অনুমোদন জনাইছে। বিধেয়কখন গৃহীত হ'লেই বিশেষকৈ ভাৰত আৰু চীনৰ বাণিজ্যৰ ওপৰত এটা বৃহৎ চাপ পৰিব বুলি ধাৰণা কৰা হৈছে। কাৰণ নিজ নিজ দেশৰ তেলৰ চাহিদা পূৰণ কৰাৰ বাবে দেশ (নপৃষ্ঠাত চাওক)

# ইডিৰ বিষয়াৰ পৰা ফাইল কাঢ়ি ল'লে মমতা বেনাৰ্জীয়ে



ৰঙিলী বাৰ্ত্তাসেৱা- এনফ'চমেণ্ট ডাইৰেক্টৰেট (ইডি)য়ে পশ্চিমবংগ চৰকাৰৰ পৰামৰ্শদাতা সংস্থা আইপেকৰ কাৰ্যালয়ত বৃহস্পতিবাৰে পুৱাৰ ভাগতে তালাচী চলাই। একেলগে আইপেকৰ মুৰব্বী প্ৰতীক জৈনৰ লাউডন ষ্ট্ৰীটত থকা বাসভৱনতো তালাচী চলে। বে-আইনী কয়লা সৰবৰাহৰ এটা গোচৰত এই তালাচী চলোৱা হয়। এই অভিযান চলি থাকোঁতেই ঘটনাস্থলীত প্ৰৱেশ কৰে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে। পুৱা প্ৰতীক জৈনৰ বাসভৱনত ইডিয়ে অভিযান চলাই থকাৰ মাজতে তাত উপস্থিত হয় মুখ্যমন্ত্ৰী বেনাৰ্জী। তাৰ পৰা তেওঁ ছল্ট লেকত থকা আইপেকৰ কাৰ্যালয়লৈ যায়। তাৰ পৰাই বহুতো নথি-পত্ৰ, ম'বাইল আৰু লেপটপ লৈ নিজৰ গাড়ীত তোলে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ লগত আছিল কলকাতাৰ আৰক্ষী আয়ুক্ত মনোজ বাৰ্মা। মুখ্যমন্ত্ৰীয়ে অভিযোগ কৰে যে ইডিৰ এই অভিযান ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত। তালাচীৰ নামত আচলতে তেওঁৰ দলৰ নিৰ্বাচনী কৌশল হৰণ কৰা হৈছে। উল্লেখ্য যে ছল্ট লেকৰ আইপেকৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰী উপস্থিত হোৱাৰ পূৰ্বেই গৈ পায় তৃণমূল কংগ্ৰেছৰ স্থানীয় নেতা-মন্ত্ৰীসকল। তাৰ ভিতৰত আছে বিধান নগৰৰ মেয়ৰ কৃষ্ণা চক্ৰৱৰ্তী, (নপৃষ্ঠাত চাওক)

# ১ এপ্ৰিলৰ পৰা দেশজুৰি আৰম্ভ হ'ব লোকপিয়লৰ প্ৰথম পৰ্যায়

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে আগন্তুক লোকপিয়ল সন্দৰ্ভত বুধবাৰে আনুষ্ঠানিকভাৱে অধিসূচনা জাৰি কৰে। চৰকাৰে ঘোষণা কৰা মতে, অহা ১ এপ্ৰিলৰ পৰা ৩০ ছেপ্টেম্বৰৰ ভিতৰত ২০২৭ বৰ্ষৰ প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ কাম চলিব। দেশৰ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলে নিজাববীয়াকৈ এই সময়ছোৱাৰ ভিতৰতে ৩০দিনীয়া সূচীৰে লোকপিয়লৰ কাম সম্পন্ন কৰিব। ইয়াৰ লগতে গৃহ নিৰ্মাণ আৰু গৃহ তালিকাকৰণৰ কামো সম্পন্ন কৰা হ'ব। লোকপিয়ল আইন ১৯৪৮ৰ ধাৰা ৩ আৰু ১৭ (ক)ৰ লগতে লোকপিয়ল অধিনিয়ম ১৯৯০ৰ ৬ (ক) আৰু ৬ (ঘ)ৰ নিয়ম অনুসৰি চৰকাৰে এই অধিসূচনাত ঘোষণা কৰে যে ২০২৭ বৰ্ষৰ লোকপিয়লৰ গৃহ তালিকাকৰণৰ কাম নিজাববীয়া গণনাৰ বিকল্প হিচাপে ধৰা হ'ব। ঘৰে ঘৰে কৰা গৃহ তালিকাকৰণ কামৰ নিৰ্দিষ্ট ৩০ দিনৰ পূৰ্বৰ ১৫ দিনত এই কাম কৰিব লাগিব। ২০২১ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া লোকপিয়ল ক'ভিড সংকটৰ বাবে অনুষ্ঠিত নোহোৱাত সম্প্ৰতি লোকগণনাৰ প্ৰথম পৰ্যায়ৰ সূচী মুকলি কৰিছে কেন্দ্ৰীয় চৰকাৰে। এই কাম দুটা পৰ্যায়ত কৰা হ'ব। গৃহ তালিকাকৰণ আৰু গৃহ নিৰ্মাণ পিয়লৰ পিছত জনসংখ্যা গণনা ১ এপ্ৰিল, ২০২৬ৰ পৰা ২৮ ফেব্ৰুৱাৰী, ২০২৭ৰ (নপৃষ্ঠাত চাওক)

# বঁটা প্ৰদান আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান




ৰঙিলী বাৰ্ত্তাসেৱা- সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল- গ্ৰন্থই অন্ধকাৰ দিশৰ পৰা পোহৰলৈ গতি কৰায়। অংকুৰণ প্ৰকাশন আৰু পযেকীয়া ই আলোচনীৰ উদ্যোগত ২০২৬চনৰ জানুৱাৰী চতাৰিখে প্ৰেছক্লাবত গ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান অনুষ্ঠানটো অনুষ্ঠিত হয়। যোৰহাট অংকুৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী হেমেন নাথ ডাঙৰীয়াই ন পুৰণি সকলো লেখকক উৎসাহিত কৰাৰ উদ্দেশ্যে কবিতা, গল্প, প্ৰবন্ধ, শিশু বিষয়কে ধৰি কেইবাটাও বিষয়ৰ পাণ্ডুলিপি প্ৰতিযোগিতা অনুষ্ঠিত কৰে আহিছে। সেই অনুসৰি লেখক সকলক একোখন গ্ৰন্থ বনাই দিয়াৰ লগতে প্ৰকাশন গোষ্ঠী আৰু পযেকীয়া ই আলোচনীৰ তৰফৰ পৰা লেখকক মানপত্ৰ, মমেন্ট, কিতাপৰ টোপোলা ফুলাম গামোচাৰে সন্মান প্ৰদান কৰে। অসমৰ লগতে ভাৰতৰ বিভিন্ন স্থানৰ পৰা লেখক সকলে নিজৰ সমলখিনিৰ এখন গ্ৰন্থ আৰু স্বীকৃতি লাভ কৰে সেয়া এক সুন্দৰ উপহাৰ। বিগত বছৰৰ দৰে এইবেলিও উক্ত দিনত ১০০খনৰ ওপৰত গ্ৰন্থ উন্মোচন হয়। কাব্য কানন কাব্যালোচনীৰ সম্পাদক তথা বিশিষ্ট কবি নৱ ৰাজন, বিশিষ্ট কবি তথা অনুবাদক গুণীন চৌধুৰী, বিশিষ্ট উপন্যাসিক তথা গল্পকাৰ ৰুমি তালুকদাৰ, বিশিষ্ট কবি ৰীতা বৰুৱা আদি কৰি বহুত কেইগৰাকী বিশিষ্ট ব্যক্তিৰ হাতেৰে গ্ৰন্থবোৰ উন্মোচন হয়। লেখিকা তথা সমাজ সেৱিকা অনামিকা (সংগীতা)কলিতাৰ প্ৰবন্ধ সংকলন "চিন্তন", অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী লেখিকা ৰুক্মিণী দাসৰ অণুগল্প পুথি সিন্দূৰ, লেখিকা তথা সমাজ সেৱিকা মঞ্জু কাকতিৰ কবিতা পুথি (নপৃষ্ঠাত চাওক)

# মাঘৰ বিহু আৰু লোকবিশ্বাস



পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা পালন কৰা হয় মাঘ বিহু বা ভোগালী বিহু। লোক বিশ্বাস আছে যে পিতামহ ভীষ্মই এই পৱিত্ৰ দিনতেই ইচ্ছামৃত্যু বৰণ কৰিছিল। আকৌ পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা সূৰ্য ধনু ৰাশিৰ পৰা মকৰ ৰাশিত প্ৰৱেশ কৰে বাবে এই সংক্ৰান্তিক মকৰ সংক্ৰান্তি বুলি জনা যায়।

মাঘ বিহুৰ বিশেষ গুৰুত্বপূৰ্ণ দিশ হৈছে উৰুকাৰ নিশা ভোজভাত আৰু পিছদিনা কাহিলীপুৱাতে মেজি জ্বলাৱা। মেজি পতা আৰু জ্বলোৱা নিয়ম ঠাই ভেদে কিছু বেলেগ। এই সময়তে অৰ্থাৎ আঘোণ- পুহ মাহতে কৃষিজীৱি লোকে ধান চপাই ভঁৰাল নতুন ধানেৰে পুৰ কৰে। বাৰীত শাক-পাচলি উভয়নদী হয়। বিভিন্ন ধৰণৰ আলু যেনে ৰঙা আলু, কাঠ আলু, মোৰা আলু খেতিয়কে খান্দি উলিয়ায়। নতুন চাউল,

**বন্দিতা শৰ্মা কন্দলি**

ঔটেঙা দিয়া নতুন মাটি মাহৰ দাইল, ঘৰে ঘৰে পুহি ৰখা হাঁহ-কুকুৰা, ছাগলী মাংসৰে সকলোৰে মিলি খোৱা হয় এই ভোজ-ভাত। সেয়ে এই বিহুক ভোগালী বিহু বুলিও কোৱা হয়। আজিৰ পৰা কিছু বছৰ পূৰ্বে ভোজ-ভাত খাবৰ বাবে পথাৰতে নৰাৰে ভেলাঘৰ সাজি লৈছিল। ভেলাঘৰৰ লগতে খৰি গোটাই ডাঙৰ মেজি, সৰু মেজি দুটাকৈ মেজি সাজিছিল। ৰাতিটো ভেলাঘৰতে জুই পুৱাই থকা সকলে গাঁৱৰ মানুহৰ বাৰীৰ পৰা শাক-পাচলি, জেওৰা জপনা, হাঁহ - কুকুৰা চুৰ কৰি আনি খাইছিল। সেইদিনা চুৰ কৰিলে গৃহস্থই খং কৰা বা গালি পৰা নাছিল। এই কাৰ্য ধেমেলীৰ পৰম্পৰা বুলি ধৰা হৈছিল। পিছদিনা অৰ্থাৎ দোমাহীৰ দিনা পোহৰ হোৱাৰ আগতেই কোনোৱা এজনে পুখুৰীত বুৰ মাৰি আহি শুকান বাঁহখৰিৰ জোঁৰ লৈ ডাঙৰ মেজি জ্বলায়। মেজিৰ ওচৰত থকা সকলে জয় ৰাম বোলা জয় হৰি বোলা বুলি কৈ হৰিধ্বনি দিয়ে। সকলোৰে গা ধুই আহি তামোল- পাণ, মাহ-প্ৰসাদ, পিঠা-পনা আদি মেজিলৈ আগবঢ়াই অগ্নি সেৱা কৰে। মেজিৰ জুইৰ তাপতে পিঠা -পনাৰে সকলোৰে চাহ খায়। জেষ্ঠ জনক সেৱা জনাই আশীৰ্বাদ লয়। লগতে মাহ-গোটকৰাই (বৰা চাউল আৰু গোটা মাটিমাহ একেলগে ভজা) আৰু পুৰি থোৱা ৰঙা আলু, কাঠ আলু, মোৱা আলু খোৱাৰ পৰম্পৰা আছে।

মেজিৰ জুইয়ে পুহৰ ঠেটুৰে ধৰা জাৰ নাইকীয়া কৰে। কোনো কোনোৱে লাগনি গছ (ফল ধৰা গছ) খেৰেৰে বান্ধে। অতীজৰে পৰা পালি অহা এই পৰম্পৰাক 'মাঘ বন্ধা' বুলিও কোৱা হয়।মাঘ বান্ধিলে বতাহ-ধুমুহাই গছৰ অনিষ্ট সাধন কৰিব নোৱাৰে বুলি লোকবিশ্বাস আছে। বিশ্বাস আৰু পৰম্পৰাৰ মাজেৰে ভোগালী বিহুটিয়ে কৃষিজীৱি লোকক দিয়ে কঠোৰ পৰিশ্ৰমৰ সুখানুভূতি। বৰ্তমান সময়ত আগৰ মাদকতা নাই যদিও ভোগালীত সকলোৰে মিলি এসাঁজ খাই মনতো জীপাল কৰি ৰাখিবই লাগিব নহয় নে বাৰু! মইনাহঁতলৈ ভোগালী বিহুৰ ঢেৰ মৰম যাচিলোঁ দেই!

# অসমৰ ৰাজনীতিৰ 'ভীষ্ম পিতামহ' কবীন্দ্ৰ পুৰকায়স্থৰ মহাপ্ৰয়াণ

**কাজি শ্বাহাদত ইছলাম, সোনাইঘুলী**



"সন্ধিয়াৰ বেলিটি গোটেই দিনটোৰ কাৰ্যসূচী সামৰি ঘৰমুৱা হ'ল। লাহে লাহে এন্ধাৰে আকাশৰ নীলাখিনি গিলি পেলালে আৰু এক গধুৰ মৌনতাই শিলচৰ চহৰৰ বুকু চুই গ'ল। কিন্তু এই এন্ধাৰ কেৱল এক স্বাভাৱিক দিনৰ সমাপ্তি নাছিল, এই এন্ধাৰ আছিল অসমৰ ৰাজনীতিৰ আকাশৰ এটা উজ্জ্বল নক্ষত্ৰৰ চিৰকাললৈ অস্ত যোৱাৰ এক কৰুণ সংকেত। ঘড়ীৰ কাঁটাই যেতিয়া বিয়লি ৫:০৬ বজাৰ জাননী দিলে, ঠিক সেই মুহূৰ্ততে হাজাৰ হাজাৰ গুণমুগ্ধক কন্দুৱাই বৰাকৰ মাটিৰ পুত্ৰ, আধুনিক বিজেপিৰ অন্যতম খনিকৰ কবীন্দ্ৰ পুৰকায়স্থই ইহলীলা সম্বৰণ কৰি মহানিদ্ৰাত বিলীন হ'ল।"

হয়, অসমৰ ৰাজনীতিৰ এগৰাকী বটবৃক্ষ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা কবীন্দ্ৰ পুৰকায়স্থই ২০২৬ চনৰ ৯ জানুৱাৰী ৯৪ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত পৃথিৱীৰ মায়া এৰি কেতিয়াও উভতি নহাৰ বাটেৰে গুচি যোৱা বিষয়টো অসমৰ জনসাধাৰণৰ বৰ অসহনীয়। তেওঁৰ বিয়োগে কেৱল বৰাক উপত্যকাতে নহয়, সমগ্ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত এক বৃহৎ ক্ষতি সাধন হ'ল। যি ক্ষতি বিকল্প ব্যৱহাৰৰ জৰিয়তে পূৰ কৰা সম্ভৱ নহয়।

১৯৩৭ চনত বৰ্তমানৰ বাংলাদেশৰ ছিলেট (Sylhet) জিলাত কবীন্দ্ৰ পুৰকায়স্থৰ জন্ম হৈছিল। দেশ বিভাজনৰ সেই কঁপনি তোলা সময়ৰ পাছত নিয়তিৰ চাপত পৰি তেওঁলোকৰ পৰিয়ালটো শিলচৰলৈ গুচি আহে। শিলচৰৰ মাটি, মানুহ আৰু তেওঁলোকৰ সৈতে কৰা সামাজিক সহাৱস্থানতেই তেওঁৰ জীৱনৰ চহকী ইতিহাস গঢ় লৈ উঠিছিল। এগৰাকী শিক্ষক হিচাপে জীৱন আৰম্ভ কৰা পুৰকায়স্থই অতি সাধাৰণ জীৱন-যাপনৰ মাজেৰেই জনসাধাৰণৰ হৃদয় জয় কৰিবলৈ শিকিছিল।

ৰাজনীতিত সক্ৰিয় হোৱাৰ পূৰ্বে তেওঁ এজন নিষ্ঠাবান শিক্ষক হিচাপে কৰ্মজীৱন আৰম্ভ কৰিছিল। তেওঁৰ গভীৰ অধ্যয়নশীলতা আৰু শৈক্ষিক দৃষ্টিভংগীয়েই তেওঁক এজন

(আঠপৃষ্ঠাত চাওক)

# মন



স্বাগন বৰা, কলিয়াবৰ

অদ্ধ জোনৰ কলা খিনিত আকিছো
তোমাৰ ছবি দুপৰ নিশা
নিয়ৰৰ টোপালৰে
গছৰ পাতত ৰোৱা বুকালৈ
উদং পথাৰৰ নৰাৰ মাজত
অকলশৰে হালধীয়াা কৈ
ফুলি থকা সৰিয়হৰ মাজত
গুন গুন গানৰ শব্দ হৈ
মৌ চুহিম মৌ মাখি হৈ
তথাপিও তুমি বুজিবা জানো
শব্দৰ জিৰণী কোঠাত হোৱা
কোলাহলৰ কথা
গানৰ সপোন লৈ ৰৈ আছে
কলমৰ চিঞাহী উদং পাতৰ সন্ধানত।

# সন্ধিয়াৰ সুবাস



চিন্মী বৰুৱা, মৰিগাঁও, চৰাইবাহী

দিনটোৰ কোলাহলবোৰ লাহেকৈ থমকি ৰয়,
খিৰিকীৰ সিপাৰে এজাক চিনাকি বতাহ;
যিয়ে কঢ়িয়াই আনে মাউথ অৰ্গেনৰ সুৰৰ দৰে
এটি মিঠা, নিৰিবিলি বিষাদৰ সুবাস।
এয়া কোনো কাহিনী নহয়, মাথোঁ এটা পল-
চাহ কাপৰ ধোঁৱাত মিলি যোৱা কিছু ভাবনা
বুকুৰ কোনোবা কোণত থিতাপি লোৱা
অব্যক্ত অনুভৱৰ এক মৃদু জোৱাৰ।
মনটো যেন উৰি যাব খোজে সেই আকাশলৈ,
য'ত তৰাবোৰে এতিয়াও চকু টিপিয়াব পৰা নাই;
মাথোঁ এক অদ্ভুত শান্তি আৰু নিজম নিস্তব্ধতা,
য'ত নিজৰ সৈতে কথা পাতিবলৈ কোনো বাধা নাই।
এই সুবাস কোনো ফুলৰ নহয়,
এয়া হেৰাই যোৱা শৈশৱ বা অনাগত সপোনৰ;
এক স্বাভাৱিক আবেগ, এক নিৰ্ভেজাল মায়া,
যিয়ে মোক চুই যায়- প্ৰতিটো সন্ধিয়াৰ প্ৰান্তত।

অণুগল্প



## অভিসাৰ

**বৰষা ডেকা, বাইহাটা চাৰিআলি**

কনকে দিয়া বিষাক্ত নিমখখিনি হজম কৰিলেই উচ্চৰক্তচাপ ৰোগে পাব বুলি জানি কনকলতাই কনকৰ পৰা দূৰত্ব বজাই থাকিল...।

## জাল

**সম্প্ৰীতি কোঁৱৰ, এজিমালা, কেৰেলা**

টেবলেট কেইটা হাতত লৈ চিধাই সি ঘৰলৈ বুলি খোজ ল'লে। মনত বিৰাট আনন্দ। বহুদিনৰ ইচ্ছা এটা আজি পূৰণ হ'ব। ঘৰত গৈ পিছে তাইৰ ইচ্ছাটোহে পূৰণ হ'ল। সি একো তলকিবই নোৱাৰিলে।

## সোণালী দিনৰ সপোন

**সুমিত্ৰা বৰগোহাঁই, ধেমাজি**

মাঘৰ বিহুত জোনালীয়ে তাই স্বামীৰ সৈতে দপদপাই স্ফুৰ্টি কৰি থকা স্বামী হঠাৎ নোহোৱা হোৱাত বুকুৰ ভিতৰ খন অনেক কিবা কিবি হৈ ৰ'ল। জুলি জুলি পাত পাত কৰি সোঁৱৰণী হৈ যায় তেওঁলোকৰ সোণালী দিনৰ সপোনবোৰ।

## প্ৰতাৰণা

**দীপাংকৰ শইকীয়া,ধেমাজি**

মনীষাৰ দেহটো জঠৰ হৈ গছডালতে ওলমি আছিল। তাই হেনো সঁচা ভালপোৱাৰ নামত ভণ্ড প্ৰেমিকৰ হাতত নিজৰ দেহ মন সঁপি দিছিল। এতিয়া সামাজিক মাধ্যমত তাইৰ নগ্ন ফটোৰে তোলপাৰ লগাইছে।

## শীতৰ কুঁৱলী



**মিতালি বৰঠাকুৰ, মালিগাওঁ**

গাঁওৰ গুণ গুণ কুঁৱলী
পথাৰ ঢাকি সৰিছে
যেন অদুৰত ধোঁৱা উৰিছে
খেৰী চালৰ উঠঙা ওঁঠত দুলি আছে
কুঁৱলীৰ টোপ টোপ চুমা
মোৰ চহৰৰ কুঁৱলী ধুসৰ ধুসৰ
নেদেখা নদীৰ সিপাৰে বেলি লহিয়াইছে
কুঁৱলীৰ ফাঁকে ফাঁকে ধূলি সৰা বাট
হেৰাই যোৱা সোণালী দিনৰ স্মৃতিৰ বাটত
চহৰত লিখিছোঁ মই
জীৱনৰ নিৰ্লোভ কবিতা ।

# মাঘ বিহুৰ প্ৰধান অংশ হৈছে মেজি আৰু উৰুকা



**নমিতা দাস, শুৱালকুছি**

অসমীয়া জনজীৱনৰ বাপতি সাহোন বিহু তিনিটাৰ ভিতৰত মাঘ বিহু হৈছে অন্যতম। কৃষক সকলৰ আশা আৰু প্ৰত্যেয়ৰ সপোনৰ শস্য চপোৱাৰ পিছত উপচি পৰা ভৰালৰ সোন গুটি খিনি সুৰক্ষিত স্থানত থৈ দিয়ে এই সময় চোৱাত । অভাব অনাতন কম হয় ভোগৰ সামগ্ৰিৰে উপচি পৰে সেয়ে এই বিহুক ভোগালী বিহু বুলিও অভিহিত কৰা হয়। কৃষক সমাজৰ আশা ভৰষা আৰু প্ৰত্যয়ৰ ভাতমুঠি যেতিয়া ঘৰলৈ আহে সীমাহিন আনন্দ বিৰাজ কৰে। আকালৰ ভাতমুঠিৰ অন্ত পেলাই ভৰাল উপচি বিভিন্ন ভোগৰ সামগ্ৰিৰে ভৰি পৰাত এই বিহুত ৰং ৰহৈচ কৰাতকৈ ভোগৰ সামগ্ৰিৰে বিহুটোক আদৰা হয়, সেয়ে ভোগালী নামে অভিহিত কৰা হয়। পুহ মাহৰ দোমাহী বা সংক্ৰান্তিৰ আগদিনা ৰাতি উৰুকা। সেইদিনা সকলো বয়সৰ লোক সকলে মিলি-জুলি এসাঁজ খোৱাৰ উদ্দেশ্যে মেজিঘৰৰ ওচৰত নতুবা পথাৰত বা ঘৰৰ সকলোৱে মিলি উৰুকাৰ ভাতসাজ খাই, সেই সময়ত ডেকা সকলে আনৰ ঘৰৰ পৰা খৰি, জেওৰা, জপনা চুৰি কৰি জুই পুৱাই। ঘৰৰ জীয়াৰি বোৱাৰী সকলে নিজৰ ঘৰত নতুবা এটা ঠাইত একগোট হৈ পিঠা লাৰুৰ লগতে বিভিন্ন সুস্বাদু খাদ্য সামগ্ৰি বনোৱাত ব্যস্ত হৈ পৰে।

মাঘৰ বিহুৰ প্ৰধান অংশ হৈছে মেজি আৰু উৰুকা। মেজি শব্দটো উজনী অসমৰ সৃষ্টি এই শব্দটো বড়ো কছাৰী মূলিয়া প্ৰাচীন চুতিয়া ভাষাৰ মিডি- য়ে-জি শব্দৰ পৰা আহিছে। যি পৈতৃক আত্মাক জুইৰ সৈতে উৰুৱাই দিয়া বা প্ৰেৰণ কৰাৰ প্ৰতিক যাৰ অৰ্থ হৈছে প্ৰৈতিক আত্মাৰ উপাসনা। কিছুমান পণ্ডিতৰ মতে ইয়াৰ উৎপত্তি সংস্কৃত মেধ্য বা মেধ শব্দৰ পৰাও হৈছে যি যজ্ঞৰ বা পবিত্ৰতাৰ প্ৰতিক যাৰ দ্বাৰা অগ্নি পুজা কৰা হয় । কিছুমানৰ মতে বড়ো ভাষাৰ মাজি শব্দৰ পৰা মেজি শব্দটোৰ উৎপত্তি হোৱা বুলি কয়। মুঠতে মেজি শব্দটো বিভিন্ন জনে বিভিন্ন মত পোষণ কৰা দেখা যায় ।

মেজি হৈছে মাঘ বিহুত জ্বলাবলৈ তৈয়াৰ কৰা কাঠ বা খেৰৰ ওখ দম । কোনো কোনো অঞ্চলত বাঁহ বা খেৰৰ ওপৰিও কলগছৰ শুকান পাতেৰে অথবা নৰাৰে মেজি তৈয়াৰ কৰা হয়। প্ৰথমে গোটা বাঁহ এদাল পুতি লৈ তাৰ চাৰিও ফালে খেৰ বা খৰিৰে দৌল আকৃতিৰে জঁকা তৈয়াৰ কৰি বিৰিণাৰে নতুবা নৰা বান্ধি মেজি সজা হয়। ৰাতি মেজি ঘৰ ৰখিবলৈ ওচৰতে ভেলাঘৰ বনাই ডেকা সকলে উৰুকাৰ ৰাতি ভেলাঘৰত ভোজ ভাত খাই দোকমোকালিতে ভেলাঘৰটো জ্বলাই দিয়ে ।

দোমাহিৰ দিনা দোকমোকালিতে গাওঁৰ মেজি ঘৰ জ্বলাবলৈ বয়োজেষ্ঠ সকলে গা-পা ধুই নতুন কাপোৰ চুৰিয়া চোলা ৰে নাম প্ৰসংগ কৰি ভেলা ঘৰত জুই লগাই প্ৰত্যেকঘৰ গৃহস্থই সেই জুইত ঘৰৰ অপায় অমঙ্গল নাস হোৱাৰ লগতে সুখ শান্তি বিৰাজ কৰাৰ কামনা কৰে। এই মেজিৰ জুয়ে সমাজৰো অসূয়া অমঙ্গল আতৰাই যোৱাৰ বাবে অগ্নি দেৱতাক পুজা কৰে। প্ৰতিঘৰ লোকে বিহুলৈ বুলি বনোৱা নানান ধৰণৰ পিঠা লাৰু মাহকৰাই অগ্নীত সমৰ্পিত কৰাৰ লোকবিশ্বাস আছে। মাঘ বিহুৰ লোকবিশ্বাস সমুহ পৰম্পৰা ভাবে চলি আহিছে ।

মেজিত সমৰ্পিত কৰা মাহকৰাই আৰু মেজি জ্বলোৱা ছাঁই লৈ আনি আম, কঠাল, নাৰিকল, কল আদি গুটি থকা গছ বোৰত ছতিয়াই দিয়া হয় যাতে ফুলে-ফলে ভৰি পৰে। ভৰালৰ ধান খিনি সুৰক্ষিত আৰু সমৃদ্ধিৰ কথা ভাবি ভৰাল ঘৰতো চতিয়াই দিয়াৰ ওপৰিও মেজিৰ আধা পোৰা খৰি আনি ঘৰৰ চাৰিও ফালৰ সিমাতে পোতা হয়। মাঘমাহত আলুপোৰা খোৱাতো এক পৰম্পৰা, উল্লেখনীয় যে ৰাতি মেজি ৰখি থকা ডেকা সকলে চুৰ কৰি অনা খৰিৰে পুৱালৈ জুই পুৱালেহে সোনকালে ঠাণ্ডা কমে বুলি বিশ্বাস কৰা হয়। সেই দিনাই দিনটো লঘোনে থাকি ৰাতি তিতা, টেঙা, কেহা মিঠা সাতখন ব্যঞ্জন বনাই খোৱাৰ পৰম্পৰা আছে। সেই ব্যঞ্জন বোৰ সৰহকৈ বনাই থৈ ৰাতিপুৱা সকলোৱে মিলি খোৱা হয় সেইবোৰ মাঘি পৈইতা বুলি কয়। ৰাতি বনাই থোৱা মাঘী পইতাৰ ভাত, দাইল, সকলো ব্যঞ্জন খাবলৈ সম্পৰ্কীয় সকলক নিমন্ত্ৰণ কৰাৰো পৰম্পৰা আছে।

তাৰ পিছৰ দিনা মাঘ মাহৰ এক তাৰিখৰ দিনা ধলপুৱাতে উঠি গৃহস্থই বা ঘৰৰ কোনো সদস্যই গছ বোৰৰ গাত চুণৰ ফোট দি খেৰ বা টঙালেৰে গছত বান্ধি "জাগ জাগ" দিয়া হয় এই "জাগ" দিওঁতে বিভিন্ন ঠাইত ভিন্ন ভিন্ন ধৰনেৰে গান গাই --

"জাগ ঐ জাগ গছে পাতে লাগ,
আনৰ ফালে ধনা কুজা, আমাৰ ফালে হাটিৰ মুৰা
জাগ ঐ জাগ জাগ"

আকৌ ঠাই বিশেষে -----

"লাগ ঐ লাগ গছে পাতে লাগ
আনৰ ফালে ধনা কুজা আমাৰ ফালে হাটিৰ মুৰা"

বুলি গোৱা পৰম্পৰাগত ভাবে চলি আহিছে।

মুঠতে শীতৰ আমেজ লৈ শীতকালিৰ শাক-পাচলিৰে ভৰপুৰ হৈ পৰে মাঘ মাহ সেই সময়ত প্ৰকৃতিয়েও বৰণ সলাই খৰালীৰ চিনা - অচিনা চৰাই চিৰিকতিৰে ভৰি পৰে। মুঠতে প্ৰকৃতিয়েও শীতৰ এক অনন্যা আমেজ দিয়ে।


প্ৰতিশ্ৰুতি প্ৰদান
প্ৰতিশ্ৰুতি পূৰণ
অসম চৰকাৰ
JANASANYOG- 3895/25/11-Jan-26
প্ৰতিশ্ৰুতি আছিল এক লাখ নিযুক্তিৰ
চৰকাৰী চাকৰিত
বৰ্তমানলৈ নিযুক্তি
১,৪৫,৬৬৪
পুনৰ নিযুক্তি
৯ জানুৱাৰী ২০২৬
ADREত উত্তীৰ্ণ চতুৰ্থ বৰ্গৰ প্ৰাৰ্থী
৪,৩৭৪ গৰাকী
জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰ, খানাপাৰা, গুৱাহাটী
দিনৰ ১১ বজা
১০ জানুৱাৰী ২০২৬
ADREত উত্তীৰ্ণ তৃতীয় বৰ্গৰ প্ৰাৰ্থী
৬,৩৪৭গৰাকী
অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প, সৰুসজাই, গুৱাহাটী
দিনৰ ১১ বজা
১২ জানুৱাৰী ২০২৬
ADREত উত্তীৰ্ণ চাহ জনগোষ্ঠীৰ
তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰাৰ্থী
২৯২গৰাকী
গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহ, ভঙাগড়, গুৱাহাটী
বিয়লি ৪ বজা
সৰ্বমুঠ নিযুক্তি হ'বগৈ
১,৫৬,৬৭৭
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

# গ্ৰন্থৰ সংকট, যুৱ লেখক সন্মান আৰু যুৱ প্ৰজন্মৰ দায়বদ্ধতা

যোৰাখগুৰ পৰা..

দ্বীপেন বৰুৱা



অসমীয়া সমাজত এসময়ত গ্ৰন্থ অধ্যয়নৰ এক সমৃদ্ধ পৰম্পৰা আছিল। মহাপুৰুষ শ্ৰী শ্ৰী শংকৰদেৱ-মাধৱদেৱৰ সময়ৰ পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুৰাভা, হেমচন্দ্ৰ বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য আদি বহুতো শিল্পী-সাহিত্যিকে গ্ৰন্থ আন্দোলনৰ জৰিয়তে সমাজ নিৰ্মাণৰ প্ৰয়াস কৰিছিল। সেই সময়ত সমাজৰ শিক্ষিত লোকসকলৰ অধিকাংশৰে গ্ৰন্থ অধ্যয়নৰ এক নিয়মীয়া অভ্যাস আছিল। ঘৰে-ঘৰে আলোচনী, উপন্যাস, নাটক, বাতৰিকাকত আদি কিনি পঢ়িছিল। কিন্তু বৰ্তমান সময়ত এই পৰম্পৰা লুপ্তপ্ৰায় হৈছে। বিদ্যালয়-মহাবিদ্যালয়ত পাঠ্যপুথিৰ বাহিৰে অন্য গ্ৰন্থ অধ্যয়নৰ প্ৰৱণতা কমিছে। পৰীক্ষামুখী শিক্ষা ব্যৱস্থাই সাহিত্য পঠনক গৌণ কৰি তুলিছে। ই প্ৰকৃততে গ্ৰন্থৰ সংকটৰ এক সামাজিক দিশ। বৰ্তমান অসমীয়া ভাষাত গ্ৰন্থ প্ৰকাশ হ'লেও তাৰ পাঠকৰ সংখ্যা অতি সীমিত। বহুক্ষেত্ৰত লেখকে নিজ খৰচত গ্ৰন্থ প্ৰকাশ কৰিবলগীয়া হয়। প্ৰকাশকসকলেও লাভৰ আশংকাত নতুন লেখকৰ পাণ্ডুলিপি গ্ৰহণ কৰিবলৈ অনীহা প্ৰকাশ কৰে। ফলত সম্ভাৱনাময় যুৱ লেখকসকলৰ বহু সৃষ্টি অপ্ৰকাশিত অৱস্থাতে ৰৈ যায়। প্ৰকৃততে লেখক আৰু পাঠক-দুয়োটাই একেটা মুদ্ৰাৰ দুটা পিঠি। পাঠক নাথাকিলে লেখক হতাশ হয়; লেখক নাথাকিলে নতুন সাহিত্য সৃষ্টি নহয়।

গ্ৰন্থ আৰু সাহিত্যৰ সংকট মোকাবিলা কৰিবলৈ অসম চৰকাৰে কিছুমান গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। গ্ৰন্থ উদ্যোগটোক পুনৰুজ্জীৱিত কৰাৰ বাবেই হওক নাইবা যুৱ প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ বাবে আগ্ৰহী কৰি তোলাৰ বাবেই হওক, ২০২৫ বৰ্ষটোক চৰকাৰে গ্ৰন্থবৰ্ষ হিচাপে ঘোষণা কৰিলে। ইয়াৰ জৰিয়তে নতুন গ্ৰন্থ প্ৰকাশ, গ্ৰন্থ ক্ৰয় আঁচনি, ৰাজহুৱা পুথিভঁৰাল উন্নয়ন, জিলাই-জিলাই গ্ৰন্থমেলা আদি অনুষ্ঠিত কৰি এক পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰয়াস কৰাটো নিঃসন্দেহে গুৰুত্বপূৰ্ণ। ইয়াৰ লগত সংগতি ৰাখি অসমীয়া, বাংলা, বড়ো ভাষাৰ লগতে মিচিং, কাৰ্বি, নেপালী তথা অসমৰ আন জনগোষ্ঠীয় ভাষাত সাহিত্য চৰ্চা কৰা ৮১৮ গৰকীকৈ ৪০ বছৰ অৰ্ধ্বৰ যুৱ লেখক-লেখিকাক যুৱ লেখক সন্মান প্ৰদান কৰি নতুন লেখকক উৎসাহিত কৰাৰ চেষ্টা কৰিছে। অসম চৰকাৰৰ ই এক প্ৰশংসনীয় পদক্ষেপ।

যুৱ লেখক সন্মান প্ৰদানৰ মূল উদ্দেশ্য হৈছে নবীন আৰু উদীয়মান লেখকক চিনাক্ত কৰা, তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভাক স্বীকৃতি দিয়া আৰু সাহিত্য সাধনাত আগবঢ়াৰ বাবে অনুপ্ৰেৰণা যোগোৱা। সাধাৰণতে এই সন্মানৰ জৰিয়তে লেখকসকলে কেৱল আৰ্থিক সহায় নহয়, সামাজিক সন্মান আৰু পাঠকৰ মনোযোগো লাভ কৰে। এনে সন্মান লাভ কৰাৰ পিছত এজন যুৱ লেখকে নিশ্চয়কৈ নিজৰ সাহিত্যিক দায়িত্ব আৰু আত্মচেতনা অধিক গভীৰভাৱে অনুভৱ কৰিবলৈ আৰম্ভ কৰিব। কিন্তু এইখিনিতে প্ৰশ্ন উত্থাপন হয় যে এই সন্মান প্ৰদানৰ মাপকাঠি কিমান স্বচ্ছ আৰু নিকা। সকলোৰে ক্ষেত্ৰত নহ'লেও কিছু সংখ্যক যুৱ লেখকৰ ক্ষেত্ৰত সাহিত্যিক গুণগত মানৰ তুলনাত ব্যক্তিগত চিনাকি কিম্বা ৰাজনৈতিক পৃষ্ঠপোষকতাৰো ভূমিকা আছে নেকি? এই প্ৰশ্নসমূহৰ উত্তৰ নোপোৱালৈকে যুৱ লেখক সন্মানৰ প্ৰকৃত মৰ্যাদা কিছু ক্ষেত্ৰত বিতৰ্কিত হৈ পৰিব।

যদিও যুৱ লেখক বঁটা বা সন্মান এক গুৰুত্বপূৰ্ণ পদক্ষেপ; তথাপিও ইয়াৰ কিছুমান সীমাবদ্ধতা স্পষ্ট। নতুন লেখক সৃষ্টি কেৱল বঁটা প্ৰদানেই নহয়; ই এক দীঘলীয়া প্ৰক্ৰিয়া। লেখক সৃষ্টিৰ বাবে পাঠ অভ্যাস, সমালোচনাৰ পৰিৱেশ, সম্পাদকীয় সহায় আৰু প্ৰকাশৰ সুযোগ প্ৰয়োজন। বহু সময়ত সাহিত্য সৃষ্টিৰ মূল উদ্দেশ্য সমাজ বা সাহিত্য নহৈ কেৱল বঁটা লাভ হৈ পৰে। যুৱ লেখক হোৱাটো কেৱল বয়সৰ বিষয় নহয়; ই এক মানসিক অৱস্থা আৰু সৃষ্টিশীল দায়িত্বৰ প্ৰতিফলন। গতিকে যুৱ লেখকসকলৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ব- সমাজৰ সত্য ৰূপটো সাহসিকতাৰে উন্মোচন কৰা। তেওঁলোকে সমাজৰ বৈষম্য, অন্যায়, দমন-পীড়ণ, নাৰী সমস্যা, যুৱ সমস্যা আদিৰ লগতে ভাষা আৰু সংস্কৃতিৰ সংকটক নিজৰ লেখনিৰ জৰিয়তে প্ৰকাশ কৰিব লাগিব। তদুপৰি, যুৱ লেখকসকলৰ কৰ্তব্য হৈছে ভাষাৰ শুদ্ধতা আৰু সৌন্দৰ্য ৰক্ষা কৰা।

আগলৈ..

# হেঁপাহৰ ভোগালী

যমুনা দুলু বৈশ্য, শুৱালকুছি



অসমীয়াৰ বাপতি-সাহোন মাঘ বিহুটিৰ বাবে  
শান দিয়া কাঁচিৰ পৰশত নাচি উঠিছে  
আঘোণৰ ধানৰ মুঠিত  
লখিমী দাৱনী, পাহুৱাল ডেকা হঁতৰ  
কঁপালৰ ঘাম মাটিত পেলাই  
এমুঠি সোণালী ধানৰ থোকবোৰ  
পথাৰত উপচি পৰা দেখি  
খেতিয়ক ককাইৰ ওঁঠত  
হাঁহি বিৰিঙিছে , ভেলাঘৰ বান্ধিব  
মিলাপ্ৰীতিৰ খাব এসাজ ভাত ।  
কৃষকৰ আশাৰ সোণালী সোণগুটিৰে ভৰি পৰিছে, ঘৰচোতালত --  
আইজং, কুনকুনি জঁহা,  
শালিৰে গোন্ধত আমোল মোল।  
জীয়ৰী, বোৱাৰীৰ হঁতৰ ব্যস্ততা  
ৰজনজনাইছে ঢেঁকীৰ শব্দ।  
বিধে, বিধে পিঠা- মিঠৈ, লাডু  
গুৰা সান্দহ, চিৰা আসৈ, মুড়ী  
আইতা ককাহঁতে জুইৰ আখলত বহি  
হাঁহৰ মাংস আৰু বৌ মাছৰ জুতিৰে  
উৰুকাত খাব মিলি,  
হেঁপাহৰ ভোগালীক আনিব আদৰি  
দোমাহীৰ দিনা, অগ্নিদেৱতাক জনাব সেৱাটি  
সমাজৰ পৰা অসূয়া -অপ শক্তি নাশ কৰিবলৈ...  
ঈশ্বৰৰ চৰণত কৰযোৰে কৰিব স্তুতি,  
উখল-মাখল পৰিৱেশ দেখিয়ে  
বিৰিঙি উঠিছে সকলোৰে  
সাফল্যৰ হাঁহি।

# অসমৰ ৰাজনীতিৰ 'ভীষ্ম পিতামহ'

দূৰদৰ্শী নেতা হিচাপে প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। তেওঁ কেইবাখনো গ্ৰন্থ ৰচনা কৰি সাহিত্য আৰু বিচাৰধাৰাৰ জগতেতো নিজৰ স্বাক্ষৰ এৰি থৈ গৈছে।

অসমত ভাৰতীয় জনতা পাৰ্টিৰ ভেটি স্থাপন কৰা যি কেইগৰাকীমান পুৰোধা ব্যক্তি আছিল, তাৰ ভিতৰত কবীন্দ্ৰ পুৰকায়স্থ অন্যতম। বিশেষকৈ বৰাক উপত্যকাত দলীয় আদৰ্শক তৃণমূল পৰ্যায়লৈ লৈ যোৱাৰ ক্ষেত্ৰত তেওঁৰ অৱদান আছিল অতুলনীয়। সেয়েহে তেওঁক বহুতে দলৰ 'ভীষ্ম পিতামহ' বুলিও আখ্যা দিছিল।

তেওঁৰ ৰাজনৈতিক সফলতা আছিল বিপৰীত পক্ষৰ বাবে ঈৰ্ষণীয়। তেওঁ শিলচৰ লোকসভা সমষ্টিৰ পৰা ১৯৯৮ আৰু ২০০৯ চনত দুবাৰকৈ সাংসদ নিৰ্বাচিত হৈছিল।

১৯৯৮ চনত অটল বিহাৰী বাজপেয়ীৰ চৰকাৰত তেওঁ কেন্দ্ৰীয় যোগাযোগ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সেই সময়ত তেওঁ যোগাযোগ ব্যৱস্থাৰ উন্নতিকৰণৰ বাবে কেইবাটাও উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছিল।

কবীন্দ্ৰ পুৰকায়স্থ আছিল এজন অত্যন্ত অমায়িক আৰু সৰল ব্যক্তি। তেওঁ কেৱল এজন ৰাজনীতিবিদেই নাছিল, বৰঞ্চ তেওঁ আছিল বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মাজত মিলাপ্ৰীতি আৰু সমন্বয়ৰ এগৰাকী সবল পৃষ্ঠপোষক। তেওঁৰ স্পষ্টবাদিতা আৰু আপোচহীন চৰিত্ৰই তেওঁক দল-মত নিৰ্বিশেষে সকলোৰে মাজত গ্ৰহণযোগ্য কৰি তুলিছিল।

তেওঁৰ এই মহাপ্ৰয়াণত আজি সমগ্ৰ ৰাজ্যখনতে এক গভীৰ শোকৰ ছাঁ পৰিছে। এজন অভিভাৱক হেৰুৱাই বৰাক-ব্ৰহ্মপুত্ৰৰ জনসাধাৰণ আজি ম্ৰিয়মান। কবীন্দ্ৰ পুৰকায়স্থৰ জীৱন যাত্ৰা আছিল ত্যাগ, নিষ্ঠা আৰু নিস্বাৰ্থ জনসেৱাৰ এক উজ্জ্বল নিদৰ্শন। তেওঁৰ আদৰ্শ আৰু নিৰহংকাৰী ব্যক্তিত্ব অনাগত দিনত অসমৰ প্ৰতিগৰাকী ৰাজনৈতিক কৰ্মীৰ বাবে এক চিৰন্তন প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

যদিও সময়ৰ সোঁতত তেওঁ আমাৰ মাজৰ পৰা শাৰীৰিকভাৱে বিদায় লৈছে, কিন্তু তেওঁৰ যোগ্য পুত্ৰ কণাড পুৰকায়স্থই বৰ্তমান পিতৃৰ সেই মহান আদৰ্শক বুকুত বান্ধি ৰাজনীতিত সক্ৰিয় হৈ আছে। পুত্ৰৰ কৰ্মৰাজিতেই পিতৃৰ আধৰুৱা স্বপ্নবোৰে পুনৰ প্ৰাণ পাব আৰু কবীন্দ্ৰ পুৰকায়স্থৰ নাম অসমৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব।

হে মহান নেতা, আপোনাৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি আমি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ।

# লোকপিয়লে আমাৰ

স্পৰ্শ কৰিব। উল্লেখযোগ্য যে অসমত দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি পাই আছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই পূৰ্বতেও বহুবাৰ ৰাইজক সৰ্তক কৰি দি আহিছে। বিশেষকৈ অসমত মুছলমান জনসংখ্যা দ্ৰুতগতিত বৃদ্ধিৰ ফলত ৰাজ্যখনৰ জন-গাঁথনিৰ ব্যাপক পৰিৱৰ্তন হৈছে। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত মুছলমান জনসংখ্যা আছিল ৩৪.২২ শতাংশ (প্ৰায় ১.০৭ কোটি), কিন্তু বৰ্তমান সময়ত এই সংখ্যা উল্লেখ যোগ্যভাৱে বৃদ্ধি পাইছে। অনুপ্ৰৱেশ আৰু উচ্চ জন্ম হাৰৰ ফলত ক'বলৈ গ'লে ৰাজ্যখনত জন বিস্ফোৰণ ঘটিছে। এনে পৰিস্থিতিত ২০৪৫ চনৰ ভিতৰত অসমত হিন্দু আৰু মুছলমান জনসংখ্যা প্ৰায় সমান ৫০:৫০ হোৱাৰ সম্ভাৱনাই দেখা দিছে। এনে পৰিস্থিতিত ৰাজ্যখনৰ সাংস্কৃতিক আৰু জাতিগত পৰিচয়ৰ বাবে এক বৃহৎ সংকট আহি পৰাৰ সম্ভাৱনা আছে। সকলোতকৈ ডাঙৰ কথা যে বিগত দশকসমূহত অসমৰ মুছলমান জনসংখ্যাৰ বৃদ্ধিৰ হাৰ হিন্দু জনসংখ্যাৰ তুলনাত যথেষ্ট বেছি। ২০০১-২০১১ চনৰ মাজত মুছলমান জনসংখ্যাৰ বৃদ্ধি হাৰ আছিল প্ৰায় ২৯-৩০ শতাংশ। আনহাতে, হিন্দুৰ আছিল ১৬ শতাংশৰো কম। এই পৰিৱৰ্তনৰ ফলত বহু জিলাত মুছলমান সংখ্যাগুৰু হৈছে।

# ভাৰতৰ ওপৰত ৫০০

দুখনে ৰাছিয়াৰ পৰা ৭০ শতাংশ তেল ক্ৰয় কৰে। ৰিপাব্লিকান চিনেটৰ লিণ্ডছে গ্ৰাহামে জনোৱা মতে, যোৱা কেইবামাহ ধৰি বিলখনক লৈ আলোচনা-বিলোচনা চলি আছিল। বুধবাৰে ইয়াকে লৈ ৰাষ্ট্ৰপতিৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকতে ৰাষ্ট্ৰপতি ট্ৰাম্পে বিলখন গৃহীতকৰণত অনুমোদন জনায়। তেওঁ মন্তব্য কৰে যে বিলখন গৃহীত কৰাৰ এইটোৱেই উপযুক্ত সময়। ইউক্ৰেইন সম্প্ৰতি শান্তি চুক্তিৰ পক্ষত। কিন্তু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে মুখেৰে যুদ্ধবিৰতিৰ কথা প্ৰকাশ কৰিলেও তেওঁ নিৰীহৰ হত্যা চলায়ে আছে। এনে পৰিস্থিতিত ৰাছিয়াৰ পৰা বহু দেশে কম দামত তেল কিনি পুটিনৰ যুদ্ধৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। এই বিধেয়কখন গৃহীত হ'লে তেনে দেশসমূহে শাস্তিৰ সন্মুখীন হ'ব লাগিব। অহা সপ্তাহতে মাৰ্কিন চিনেটত বিলখনক লৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব পাৰে বুলি তেওঁ জনায়। উল্লেখ্য যে ভাৰত আৰু চীনৰ উপৰি ৰাছিয়াৰ তেল আৰু গেছৰ বৃহৎ গ্ৰাহক ব্ৰাজিলকে ধৰি আন কেইবাখনো দেশ আছে। মাৰ্কিন নেতাসকলে ধাৰণা কৰে যে ভাৰত আৰু চীনে এনেদৰে তেল কিনাৰ জৰিয়তে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধখনত পুটিনৰ 'বেকবোন' হিচাপে কাম কৰিছে। ফলত ইউক্ৰেইনৰ পক্ষত থিয় হ'বলৈ গৈ তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰাটো জৰুৰী হৈ পৰিছে। উল্লেখ্য যে আমেৰিকাৰ ক্ষমতা দখলৰ পিছতে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধ বন্ধ কৰিবলৈ তৎপৰ হৈছিল মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প। পুটিনৰ সৈতে এই সন্দৰ্ভত আলোচনাৰ চেষ্টা চলিলেও খুব এটা সফলতা লাভ নকৰিলে আমেৰিকাই।

# ইডিৰ বিষয়াৰ পৰা

বিধায়ক তথা ৰাজ্যৰ মন্ত্ৰী সুজিত বসুও। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে অভিযান চলি থকাৰ সময়তে বিভিন্ন নথি-পত্ৰ, ম'বাইল-লেপটপ আদি লৈ যোৱা কাৰ্যৰ বিৰুদ্ধে উচ্চন্যায়ালয়ৰ দ্বাৰস্থ হয় কেন্দ্ৰীয় তদন্তকাৰী সংস্থা ইডি। ইডিয়ে দাবী কৰে যে কয়লা কাণ্ডত প্ৰাপ্ত তথ্য-প্ৰমাণৰ ভিত্তিতে পশ্চিমবংগ আৰু দিল্লীৰ ১০টা স্থানত তেওঁলোকে তালাচী চলাইছে। ইয়াৰ সৈতে নিৰ্বাচনৰ বা আন কোনো ৰাজনৈতিক দলৰ কোনো সম্পৰ্ক নাই। মমতা বেনাৰ্জীৰ ভূমিকা সন্দৰ্ভত ইডিৰ বক্তব্য যে সাংবিধানিক ক্ষমতাৰ অপপ্ৰয়োগ কৰি তেওঁ তালাচীত হস্তক্ষেপ কৰিছে আৰু বলপূৰ্বক নথি, ডিজিটেল তথ্য-প্ৰমাণ কাঢ়ি লৈ গৈছে। তদন্তত হস্তক্ষেপ কৰাৰ অভিযোগত ইডিয়ে উচ্চন্যায়ালয়ৰ দৃষ্টি আকৰ্ষণ কৰে। আদালতে তেওঁলোকক গোচৰ ৰুজু কৰাৰ অনুমতি প্ৰদান কৰে। ইফালে তাৰ বিপৰীতে প্ৰতীক জৈনৰ পৰিয়ালেও ইডিৰ বিৰুদ্ধে আদালতত গোচৰ ৰুজু কৰে।

# বঁটা প্ৰদান আৰু গ্ৰন্থ

"হৃদয়ৰ বীণাত শব্দৰ জংকাৰ", শিক্ষয়িত্ৰী লেখিকা হীৰামণি বৈশ্যৰ কবিতা পুথি "অনুভূতিৰ এমুঠি" আৰু অণুগল্প পুথি "অণুৰেণুৰ ছাঁ", লেখিকা তথা সমাজ সেৱিকা নমিতা দাস গল্প পুথি "অংগণা" আৰু লেখক আব্দুল কাদেৰ মিঞাৰ কবিতা পুথি "মই এটা ব্যৰ্থ কবিতা" আৰু লেখক চন্দ্ৰ শেখৰ পৰাজুলি প্ৰবন্ধ পুথি" মনৰ মাজত যুদ্ধ", ড° দেৱেন্দ্ৰ নাথ শইকীয়াৰ কবিতা পুথি "গাপ লগা শেৱালিৰ সুবাস" নতুন দিল্লীৰ এগৰাকী লেখক অবন্তি চক্ৰৱৰ্তীৰ "দাবানল" এনেকৈ অনেক লেখকৰ গ্ৰন্থ উন্মোচন কৰে।

# সন্দেহযুক্ত নাগৰিকৰ নাম ভোটাৰ

যোৱা সময়ছোৱাত চলি থকা ব্যাপক প্ৰতিক্ৰিয়াৰ মাজতে সংবাদ মাধ্যমৰ আগত দল তথা চৰকাৰৰ স্থিতি স্পষ্ট কৰি লখিমপুৰত মুখ্যমন্ত্ৰীৰ ঘোষণা ভোটাৰ তালিকাৰ পৰা সন্দেহযুক্ত মিঞা মুছলমানৰ নাম আমি যাতে কাটিব পাৰোঁ তাৰ বাবে আমি চেষ্টা কৰিম। আমি আমাৰ বিএলঅ'সকলক নিৰ্দেশ দিছোঁ যে সন্দেহযুক্ত মানুহৰ নাম তালিকাত দেখা পায় তেন্তে নিৰ্বাচন আয়োগক অভিযোগ দিব। মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছ দলক উদ্দেশ্যি কয়- ভোটাৰ তালিকাৰ পৰা নাম কৰ্তনৰ ক্ষেত্ৰত কংগ্ৰেছ দলৰো স্বাধীনতা আছে। তেওঁলোকেও অভিযোগ দিব পাৰে। কাৰোবাৰ নাম যদি ভোটাৰ তালিকাত উঠা নাই, কংগ্ৰেছ দলেও তেনে নাম অন্তৰ্ভুক্ত কৰাৰ কাৰণে আবেদন কৰিব পাৰে। বিজেপিৰ যি স্বাধীনতা আছে একেই স্বাধীনতা কংগ্ৰেছ দলৰো আছে, ৰাইজৰ দলৰো আছে, চিপিএম-চিপিআই দলৰো আছে। গতিকে সংবাদ মাধ্যমৰ জৰিয়তে কথাটো উত্থাপন নকৰি বিৰোধী দলসমূহে ৬, ৮নং প্ৰ-পত্ৰ ব্যৱহাৰ কৰিব লাগে। ইফালে ভিডিঅ' কনফাৰেঞ্চৰ জৰিয়তে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই বিএলঅ'সকলক ভোটাৰৰ নাম কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়া বুলি অখিল গগৈয়ে অনা অভিযোগক সভাপতি দিলীপ শইকীয়াই নস্যাৎ কৰাৰ পাছত তেওঁ যে সত্য কৈছে তাৰ বাবে আজি কামাখ্যা মন্দিৰত শপত লোৱাৰ আহ্বান জনাইছে বিধায়ক অখিল গগৈয়ে। এই প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- শপত লোৱাৰ কি প্ৰয়োজন আছে, মই নিজেই কৈ আছোঁ। মই সমগ্ৰ অসমতে বিধায়ক, বিএলঅ'-১, বিএলঅ'-২ সকলোকে নিৰ্দেশ দিছোঁ যে যিমান পাৰে সন্দেহযুক্ত মানুহৰ নাম যদি তালিকাত আছে তেন্তে অভিযোগ দিয়ক। ইয়াত শপত ল'বলগা কি আছে? এয়া আমাৰ সংবিধানপ্ৰদত্ত অধিকাৰ। এই অধিকাৰ একমাত্ৰ বিজেপিয়ে লোৱা নাই, কংগ্ৰেছৰো একেই অধিকাৰ আছে। গতিকে অখিল গগৈ, গৌৰৱ গগৈয়ে সংবাদ মাধ্যমৰ আগত কোৱাতকৈ যিদৰে বিজেপিৰ সদস্যসকলে গ্ৰাউণ্ডত কাম কৰি আছে, তেওঁলোকেও গ্ৰাউণ্ডত কাম কৰক। আমিতো বাধা দিয়া নাই। স্মৰ্তব্য যে বিৰোধীয়ে উত্থাপন কৰি থকা ভোটাৰ তালিকা সংশোধনীৰ বিসংগতিৰ বিষয়টোৱে শেহতীয়াকৈ যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ এক ভিডিঅ' কনফাৰেঞ্চক লৈ। এই ভিডিঅ' কনফাৰেঞ্চত বিজেপিৰ সভাপতিগৰাকীয়ে বিএলঅ'সকলক ভোটাৰ তালিকাৰ পৰা একাংশ লোকৰ নাম কৰ্তনৰ নিৰ্দেশ দিয়া বুলি বিধায়ক অখিল গগৈয়ে অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগ দিলীপ শইকীয়াই নস্যাৎ কৰাৰ বিপৰীতে মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্টকৈ উল্লেখ কৰে যে ভোটাৰ তালিকাৰ পৰা বিএলঅ'সকলক সন্দেহযুক্ত লোকৰ নাম কৰ্তনৰ বাবে নিৰ্বাচন আয়োগৰ ওচৰত আবেদনৰ নিৰ্দেশ দিছে। কোনো কাৰণতে যাতে সন্দেহযুক্ত লোকৰ নাম তালিকাত অন্তৰ্ভুক্ত নহয় সেই দিশত নজৰ দিবলৈ বিঅ'এলঅ'সকলক নিৰ্দেশ দিয়াৰ কথা স্পষ্ট কৰে।

# পঞ্চভূতত বিলীন প্ৰাক্তন

জ্ঞাপন কৰে। তাৰ পিছত এখন পুষ্প সজ্জিত বাহনত গায়ন-বায়নৰ খোল-তাল পৰিৱেশনেৰে শিলচৰ চহৰেৰে শ্ৰদ্ধাঞ্জলি যাত্ৰা কৰি কাছাৰ জিলা বিজেপি কাৰ্যালয়লৈ লৈ যোৱা হয়। দলৰ বিষয়াসকলে তাত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। বিজেপি কাৰ্যালয়ত মন্ত্ৰী কৌশিক ৰায়, সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক দীপায়ন চক্ৰৱৰ্তীসহ অন্যান্য দলীয় বিষয়ববীয়াই শেষ শ্ৰদ্ধা নিবেদন কৰে। তাৰ পাছত তেওঁৰ নশ্বৰ দেহ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰলৈ লৈ যোৱা হয়। তাত কবীন্দ্ৰ পুৰকায়স্থক ৰাষ্ট্ৰীয় সন্মানেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কবীন্দ্ৰ পুৰকায়স্থক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁৰ সৈতে উপস্থিত আছিল মন্ত্ৰী কৌশিক ৰায়, মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক দিপায়ন চক্ৰৱৰ্তী, বিধায়ক নীহাৰ ৰঞ্জন দাসকে ধৰি অন্যান্য নেতা। ইয়াৰ পিছত শিলচৰৰ আৰ এছ এছৰ কাৰ্যালয়ত তেওঁৰ নশ্বৰদেহ লৈ যোৱা হয়। তাত শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছত তেওঁক শিলচৰৰ শ্মশানঘাটলৈ নিয়া হয়। শ্মশানলৈ কঢ়িয়াই নিয়াৰ পিছত তেওঁক অসম চৰকাৰৰ তৎপৰতাত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাসৰ নেতৃত্বত আৰক্ষীৰ এটি দলে গাৰ্ড অৱ অনাৰ প্ৰদৰ্শন কৰি আৰক্ষীৰ বেণ্ড বাদনৰ পিছত সম্পূৰ্ণ ৰাজ্যিক মৰ্যাদা প্ৰদান কৰাৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ জিলা আয়ুক্ত আয়ুষ গাৰ্গে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাৰ্থ প্ৰতিম দাসে সম্পূৰ্ণ অসম আৰক্ষীৰ মৰ্যাদাৰে শ্ৰদ্ধা জ্ঞাপন কৰে। পিছত তেওঁৰ পুত্ৰ ৰাজ্যসভাৰ সাংসদ কনাদ পুৰকায়স্থই ধৰ্মীয় আচাৰ অনুষ্ঠানৰ মাজেৰে মুখাগ্নি কৰি শেষকৃত্য সম্পন্ন কৰে। ইপিনে কবীন্দ্ৰ পুৰকায়স্থৰ দেহাৱসান ঘটাত বৃহস্পতিবাৰে কাছাৰ জিলাৰ সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা কৰা হয়। অসম ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকিয়াই কয়, কবীন্দ্ৰ পুৰকায়স্থক বাদ দি অসম বিজেপি দলে একো ভাবিব নোৱাৰে। তেওঁ অভিভাৱক স্বৰূপ আছিল। বহু ঘাত প্ৰতিঘাতৰ সন্মুখীন হৈ উত্তৰ পূব ভাৰতত বিজেপিৰ সংগঠনৰ কাম কৰি গৈছিল। বৰাক উপত্যকাৰ উন্নয়ন বাবে তেওঁ বহু কাম কৰি গৈছে। তেওঁৰ আশীৰ্বাদ মুৰত লৈ বিজেপি দল আগবাঢ়ি যাব।

# ১ এপ্ৰিলৰ পৰা দেশজুৰি

ভিতৰত সম্পন্ন কৰা হ'ব। এইক্ষেত্ৰত কেন্দ্ৰীয়শাসিত অঞ্চল লাডাখ আৰু বৰফ পৰা এলেকা জম্মু আৰু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডক নিলগাই ৰখা হৈছে। উল্লেখ্য যে যোৱা বছৰৰ ১২ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে ১১, ৭১৮.২৪ কোটি টকা ব্যয়সাপেক্ষে ২০২৭ বৰ্ষৰ ভাৰতৰ লোকপিয়ল সম্পন্ন কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। জনগণনাৰ পৰ্যায়ত নাগৰিকৰ জাতিগত পৰিচয়ো আহৰণ কৰা হ'ব। এই লোকপিয়লত প্ৰায় ৩০ লাখ ক্ষেত্ৰকৰ্মী নিয়োজিত হ'ব। ভাৰতৰ এই লোকপিয়ল বিশ্বৰ সৰ্ববৃহৎ প্ৰশাসনিক আৰু পাৰিসাংখ্যিক অনুশীলন বুলি কোৱা হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে ডিজিটেল প্ৰক্ৰিয়াৰে সম্পন্ন হ'ব লোকপিয়ল। এইক্ষেত্ৰত ডাটা সংগ্ৰহৰ বাবে ম'বাইল এপ আৰু নিৰীক্ষণৰ উদ্দেশ্যত এটা কেন্দ্ৰীয় প'ৰ্টেল ব্যৱহাৰ কৰা হ'ব। ইয়াৰ জৰিয়তে উন্নতমানৰ দাতাৰ নিশ্চিতি লাভ কৰিব পৰা যাব। এই লোকপিয়লৰ প্ৰক্ৰিয়াত প্ৰতিটো পৰিয়ালৰ ঘৰলৈ ক্ষেত্ৰকৰ্মীসকল যাব আৰু গৃহ তালিকাকৰণ আৰু গৃহ নিৰ্মাণ পিয়ল তথা জনগণনাৰ বাবে সুকীয়া সুকীয়া প্ৰশ্নাৱলী প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰসমূহে গণনাকাৰীসকলক নিযুক্তি দিব। এই গণনাকাৰীসকল বিশেষকৈ চৰকাৰী শিক্ষক হ'ব। তেওঁলোকে নিজৰ নিজৰ নিয়মীয়া দায়িত্ব পালন কৰাৰ উপৰি পিয়লৰ ক্ষেত্ৰকৰ্ম সম্পাদন কৰিব। এই প্ৰক্ৰিয়াটো নিৰীক্ষণৰ বাবে চেঞ্চাছ মেনেজমেন্ট এণ্ড মনিটৰিং ছিষ্টেম, চমুকৈ চিএমএমএছ নামৰ এটা প'ৰ্টেল ইতিমধ্যে মুকলি কৰা হৈছে। জনসাধাৰণে এই পিয়ল এপ বা প'ৰ্টেলৰ জৰিয়তে ৩০দিনীয়া গৃহ তালিকাকৰণ পৰ্যায়ৰ পূৰ্বৰ ৰপ্ত দিনৰ ভিতৰত আত্মগণনা কৰিব পাৰিব। ডিজিটেল পিয়লৰ বাবে উপযুক্ত নিৰাপত্তাজনিত বৈশিষ্ট্য ইয়াত সন্নিৱিষ্ট কৰা হৈছে।

# ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত

জেদী পাৰ্টী নহয় যে বহু আসনত খেলিব লাগিব, তেনে কোনো কথা নাই। আমি সকলোৰে সৈতে মিলামিচাৰে আগবাঢ়িম। উল্লেখ্য যে আগন্তুক নিৰ্বাচনত অগপই ৩৫-৪০খন আসন প্ৰতিদ্বন্দ্বিতাৰ বাবে ইতিমধ্যে বিজেপিৰ ওচৰত প্ৰস্তাৱ উত্থাপন কৰিছে। বিজেপিৰ দখলত থকা কেইবাটাও সমষ্টি আঞ্চলিক দলটোৱে বিচৰাক লৈও বিজেপি দলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সমান্তৰালভাৱে ২০২১ চনত অগপই বিজেপিক এৰি সমষ্টি এইবাৰ অগপক এৰি দিয়াৰ বাবেও দলটোৱে দাবী উত্থাপন কৰিছে। স্বাভাৱিকতে এনে দাবী আৰু প্ৰতিক্ৰিয়াৰ মাজতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আসন ভাগ বাটোৱাৰাৰ বিষয়টো ১৫ ফেব্ৰুৱাৰীৰ পূৰ্বে সম্পূৰ্ণ কৰিব বুলিও ইতিপূৰ্বে ঘোষণা কৰিছে যদিও বিজেপিয়ে কোনবোৰ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব সেয়া শাসকীয় দলটোৱে স্থিৰ কৰিব বুলিও স্পষ্ট কৰিছে। এনে পৰিস্থিতিৰ মাজতে আসন বুজাবুজিৰ ক্ষেত্ৰত বিজেপিয়ে কঠোৰ হোৱাৰ পৰিৱৰ্তে নৰম স্থিতি গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট মন্তব্য- বিজেপি জেদী পাৰ্টী নহয়, বুজাবুজি কৰি আসন ভগাই লোৱা হ'ব।

# জানুৱাৰীতেই ৰাজহুৱা

ৰাজনীতিতকৈ দেশৰ সুৰক্ষা উৰ্ধ্বত। তেওঁ কয়- আটাইতকৈ ডাঙৰ কথা হ'ল পাকিস্তান ভাৰতৰ ডাঙৰ শত্ৰু। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা-নকৰাতকৈ পাকিস্তানৰ সৈতে সম্পৰ্ক থকাটো উচিত নে অনুচিত সেয়াহে গুৰুত্বপূৰ্ণ। এই সকলো কথা অসমৰ ৰাইজে বিচাৰ কৰিব। উল্লেখ্য যে ২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰীত ৰাজ্যিক কেবিনেটে এজন পাকিস্তানী নাগৰিক আলী তৌকীৰ শ্বেখ আৰু তেওঁৰ সহযোগীসকলৰ ভাৰতবিৰোধী কাৰ্যকলাপৰ তদন্তৰ বাবে বিশেষ অনুসন্ধানকাৰী দল (এছআইটি) গঠন কৰিছিল। এই এছআইটিয়ে পৰৱৰ্তী সময়ত অনুসন্ধান কৰি আলী তৌকীৰ শ্বেখৰ সৈতে গৌৰৱ গগৈৰ পত্নীৰ সম্পৰ্ক তথা পাকিস্তানৰ দ্বাৰা পৰিচালিত এক স্বেচ্ছাসেৱী অনুষ্ঠানৰ লগতো কংগ্ৰেছ নেতাজনৰ পত্নীৰ সম্পৰ্কৰ কথা পোহৰলৈ আনিছিল।

# জুবিন গাৰ্গৰ ন্যায়ৰ বাবে

এটা জনমুখী প্ৰকল্প নিৰ্মাণৰ বাবে গুৱাহাটীৰ বেতকুছিত এক বিঘা ভূমি আবণ্টনত অনুমোদন জনায়। তদুপৰি কেবিনেটে মৰিগাঁও, ডিব্ৰুগড়, কাছাৰ জিলাত মিছন বসুন্ধৰা ৩.০ৰ অধীনত ভূমি আবণ্টনতো অনুমোদন জনায়। ইফালে, অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম ভ্ৰমণ কৰিবলগীয়া সন্দৰ্ভতো কেবিনেটত বিস্তৃত আলোচনা কৰা হয়। এই প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা অনুসৰি, অহা ১৭জানুৱাৰীত বিয়লি প্ৰধানমন্ত্ৰী মোদী গুৱাহাটীত উপস্থিত হৈ ৮-১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। উক্ত দিনাই নিশা গুৱাহাটীত কটাবলগীয়া প্ৰধানমন্ত্ৰী মোদীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দ্ৰা পথাৰত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। সেই সভাতেই প্ৰধানমন্ত্ৰীয়ে কলিয়াবৰৰ পৰা বোকাখাতলৈ ৬, ৯৫৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া ৩৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা এলিভেটেড কৰিড'ৰৰ শিলান্যাস কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমতীলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাওটালৈ চলিবলগীয়া দুখন ৰে'লৰ ফ্লেগ অফ কৰিব। কেবিনেটে কাজিৰঙা এলিভেটেড কৰিড'ৰত প্ৰকল্প অনুমোদন জনোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদী আৰু কেন্দ্ৰীয় চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰে।

# আনুষ্ঠানিকভাৱে অসম

'বিগ ব্ৰাদাৰ' হিচাপে নাভাবিবলৈ আহ্বান জনায়। এইক্ষেত্ৰত বিৰোধী ৰাইজৰ দল, অজাপৰ নেতৃত্বকো ব্যক্তিগত স্বাৰ্থ পৰিহাৰ কৰি হ'লেও ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। নিজৰ দল জাতীয় দল, অসম অজাপৰ সৈতে একত্ৰীকৰণ কৰা সন্দৰ্ভত সাংসদ ভূঞাই কয় যে পূৰ্বতে দলটো লুৰিণজ্যোতি গগৈৰ নেতৃত্বাধীন অসম জাতীয় পৰিষদত চামিল হোৱাৰ কথা আছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। এতিয়া আঞ্চলিকতাবাদ শক্তিশালী কৰাৰ স্বাৰ্থত, জাতীয় সংগ্ৰাম আগুৱাই নিয়াৰ স্বাৰ্থত, খিলঞ্জীয়া মানুহৰ নিজৰ ভূমিত অধিকাৰ ৰক্ষাৰ স্বাৰ্থত দলটো চামিল হৈছে। অসমৰ ইতিহাসত এই চামিলকৰণে নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা প্ৰকাশ কৰে সাংসদগৰাকীয়ে। সাংসদ ভূঞাই বিগত দিনৰ ৰাজনৈতিক পৰিঘটনাৰ কথা উল্লেখ কৰি কয় যে বিৰোধী শক্তি পূৰ্বতে একত্ৰিত হোৱা হ'লে আজি বিজেপি ক্ষমতাত নাথাকিলেহেঁতেন। পাৰস্পৰিক সন্মান আৰু প্ৰকৃত ঐক্যৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিৰোধীৰ বৃহৎ দল হিচাপে কংগ্ৰেছক বিগ ব্ৰাদাৰৰ দৰে আচৰণ নকৰিবলৈ আহ্বান জনায় সাংসদগৰাকীয়ে।

# বিজেপিৰ ৰাজহুৱা প্ৰচাৰ অভিযান

বুলি অৱগত কৰে। সভাপতি শইকীয়াই কয়- ইয়াৰ বাবে ইচ্ছুক ৰাইজে ৭০০২১-২৬১২৬ ফোন নম্বৰত মিছকল দিয়াৰ লগে লগে উক্ত ম'বাইলত এটা মেছেজ আহিব আৰু তাৰ এটা লিংক আহিব। এই লিংকত ক্লিক কৰাৰ লগে লগে পৰামৰ্শ দিবৰ বাবে এটি ফৰ্মেট আহিব, পৰামৰ্শদাতাজনে তেওঁৰ নাম, ম'বাইল নম্বৰ লিখি আৰু বিধানসভা সমষ্টিৰ নাম উল্লেখ কৰি তেওঁ দিব বিচৰা পৰামৰ্শটো লিপিবদ্ধ কৰি পঠিয়াব পাৰিব। উক্ত পৰামৰ্শটো গ্ৰহণ কৰাৰো প্ৰাপ্তি স্বীকাৰ সংশ্লিষ্ট লোকজনৰ ম'বাইললৈ প্ৰেৰণ কৰা হ'ব। তদুপৰি পৰামৰ্শসমূহ QR Scaner, ই-মেইল bjpassamsankalpa2026@gmail.com ৱেবছাইট আৰু www.bjpassamsankalpa2026.com ৰ জৰিয়তে দিব পাৰিব। এই যাত্ৰাৰ শুভাৰম্ভণিৰ অনুষ্ঠানত বিধানসভা নিৰ্বাচন ২০২৬ত দলীয় নিৰ্বাচনী ইস্তাহাৰ খচৰা প্ৰস্তুত সমিতিৰ অধ্যক্ষ তথা মন্ত্ৰী ডাঃ ৰণোজ পেগু, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, নিৰ্বাচন প্ৰবন্ধ সমিতিৰ আহ্বায়ক তথা সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকে। সভাপতি দিলীপ শইকীয়াই এই অনুষ্ঠানতে কয় যে ৰাজ্যবাসীৰ আশা-আকাংক্ষাক বাস্তৱত প্ৰতিফলিত কৰাৰ লক্ষ্যৰে নাগৰিকৰ বহুমূলীয়া পৰামৰ্শসমূহ আজিৰে পৰা মিছকল, QR Scaner, ই-মেইল আৰু ৱেবছাইটৰ জৰিয়তে দলে সংগ্ৰহ কৰিব। সমান্তৰালভাৱে বিজেপিয়ে ৰাজ্যৰ বিভিন্ন স্থানত পৰামৰ্শ দিয়াৰ বাবে একোটা পৰামৰ্শ বাকচো সংস্থাপিত কৰিব। এই আটাইবোৰ পৰামৰ্শ গ্ৰহণৰ পিছত ইস্তাহাৰখন খচৰা প্ৰস্তুত সমিতিয়ে পৰ্যালোচনাক্ৰমে গ্ৰহণ কৰি ৰাজ্যখনক ৰাইজৰ ইচ্ছাৰ সৈতে একাত্মক হৈ বিজেপিয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে নিৰ্বাচনী ইস্তাহাৰখন প্ৰস্তুত কৰিব। অনুষ্ঠানত সভাপতি দিলীপ শইকীয়াই কয়- ভাৰতৰ ভিতৰতে অসম এখন দ্ৰুতগতিত বিকশিত ৰাজ্যৰ ভিতৰত এখন আৰু অসমৰ বিকাশৰ পৰিসংখ্যা ৪৫ শতাংশ। জনকল্যাণকামী আঁচনিসমূহ পোনপটীয়াভাৱে হিতাধিকাৰী প্ৰাপ্তিৰ ব্যৱস্থা বিজেপিৰ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ স্বচ্ছতাৰ এক উল্লেখনীয় নিদৰ্শন। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ প্ৰধানমন্ত্ৰী কৃষি বিকাশ যোজনা, গৰিব কল্যাণ আঁচনি, প্ৰধানমন্ত্ৰী আবাস যোজনা, প্ৰধানমন্ত্ৰী অন্ন সুৰক্ষা যোজনা আঁচনিয়ে কৃষক, গৰিব আৰু গৃহহীনক ঢুকি পোৱাকৈ বাস্তৱিকভাৱে ৰূপায়ণ হৈছে আৰু ইয়াৰ ফলত গৰিবৰ সূচাংক সংখ্যা কংগ্ৰেছৰ দিনত ৩৪ শতাংশৰ পৰা ৫২ শতাংশলৈ হ্ৰাস পাইছে। উদ্যোগীকৰণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক উল্লেখযোগ্য অৱদান আছে বুলি উল্লেখ কৰি দিলীপ শইকীয়াই কয়- জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প, নামৰূপ সাৰ কাৰখানাৰ চতুৰ্থ গোট সংযোজন, নুমলীগড় শোধনাগাৰৰ বাঁহৰ পৰা প্ৰস্তুত জৈৱিক তেল আদি অসমৰ এক উল্লেখনীয় উদ্যোগীকৰণ কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছাৰ বাবেই সম্ভৱ হৈছে। আনহাতে মুখ্যমন্ত্ৰী ড° শৰ্মা নেতৃত্বাধীন চৰকাৰখনে স্বদেশী বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰালয় গঠন, ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সচিবালয় স্থাপন, বৰাক উন্নয়ন বিভাগ সৃষ্টি আৰু বহুবিবাহ-বাল্যবিবাহ নিষেধ আইন আদি সিদ্ধান্তই বিজেপি চৰকাৰৰ সুদূৰপ্ৰসাৰী দৃষ্টিভংগীৰ পৰিচয় দিছে। শেষত তেওঁ কয়- ২০১৬ চনৰ পৰা বিজেপি চৰকাৰে জাতি-মাটি-ভেটি সংৰক্ষণৰ লগতে অসমীয়া সংস্কৃতি আৰু ঐতিহ্য সংৰক্ষণৰ ক্ষেত্ৰত একাধিক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু আগন্তুক সংকল্প-পত্ৰত এই লক্ষ্যসমূহ অধিক শক্তিশালী ৰূপত প্ৰতিফলিত হ'ব।

# ৪, ৩৬৯ এডিআৰই উত্তীৰ্ণ চতুৰ্থ

হৈ যাব আৰু আমি পৃথিৱীৰ পৰাও নোহোৱা হৈ যাম। মই কিছুমান ঠাইত গৈ কওঁ দুটা-তিনিটা সন্তানৰ বেছি জন্ম নিদিব। কিন্তু এতিয়া অসমীয়া লোকক ক'বলগীয়া হৈছে- বিয়া পাতিছা যেতিয়া কমছে কম সন্তান জন্ম দিয়ক। মুখ্যমন্ত্ৰী ড° শৰ্মাই যিসকলে বিয়া পাতি চৰকাৰী চাকৰি নথকাৰ বাবে সন্তান জন্ম দিয়া নাই, তেওঁলোকক এই চাকৰি পোৱাৰ পিছতেই সন্তান জন্ম দিবলৈও পৰামৰ্শ দিলে। এই নিযুক্তি প্ৰদান অনুষ্ঠানতেই ভাষণত মুখ্যমন্ত্ৰীয়ে নিযুক্তিপ্ৰাপ্তসকলক উদ্দেশ্যি কয়- কাৰ্যালয়লৈ অহা প্ৰতিগৰাকী দুখীয়া-দৰিদ্ৰ লোকে যাতে নিজৰ সমস্যাৰাজিৰ সহজে সমাধান লাভ কৰে, সেই দিশত সহায়-সহযোগিতা আগবঢ়াব লাগিব। মুখ্যমন্ত্ৰীয়ে চৰকাৰী চাকৰিয়ালসকলক নিজ পছন্দৰ স্থানলৈ বদলি হোৱাৰ সুবিধাৰ্থে অহা ১ ফেব্ৰুৱাৰীত 'স্বাগত সতীৰ্থ' শীৰ্ষক প'ৰ্টেলটো পুনৰ মুকলি কৰা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ জৰিয়তে নিজ পছন্দৰ স্থানলৈ বদলি হোৱাৰ ইচ্ছুক চাকৰিয়ালসকলে নিজৰ নাম পঞ্জীয়ন কৰি পাৰস্পৰিক বদলি ব্যৱস্থাৰ সুবিধা ল'ব পাৰিব। ভাষণত মুখ্যমন্ত্ৰীয়ে কয়- ৰাজ্য চৰকাৰৰ নিযুক্তিৰ এই প্ৰক্ৰিয়াটোত স্বচ্ছতা তথা সকলোৰে বিশ্বাস বজাই ৰখাটো আছিল এক কঠিন কাম। পূৰ্বতে প্ৰতিটো বিভাগে নিজাববীয়াকৈ নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰিছিল। যাৰ ফলত এটা দিনতে কেতিয়াবা দুটা-তিনিটাকৈ বিভাগৰ পৰীক্ষা অনুষ্ঠিত হোৱাত প্ৰাৰ্থীসকল যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। এনেদৰে বছৰত ২০০-৩০০টা পৰ্যন্ত পৰীক্ষা অনুষ্ঠিত হোৱা বাবে চৰকাৰৰ উচ্চতম কৰ্তৃপক্ষই ইয়াক নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। তাৰ বাবে বিভিন্ন পৰ্যায়ত হৈছিল দুৰ্নীতি। ইয়াৰ পৰিণতিত একাংশ অসন্তুষ্ট প্ৰাৰ্থীয়ে আদালতৰ ওচৰ চাপিছিল আৰু বহু সময়ত নিযুক্তি প্ৰক্ৰিয়াটোৱে আদালতৰ হস্তক্ষেপৰ বাবে স্থগিত ৰাখিব লগা হৈছিল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ২০২১ চনৰ নিৰ্বাচনৰ সময়ত স্বচ্ছতাৰ ভিত্তিত এক লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদানৰ যি প্ৰতিশ্ৰুতি আছিল, পূৰ্বতে অসমৰ কোনো ৰাজ্য চৰকাৰে এনে প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাছিল। এই নিযুক্তি প্ৰক্ৰিয়াৰ প্ৰতি থকা বিশ্বাসৰ বাবেই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে ১৩ লাখ ৭৯ হাজাৰ ১৩২খন আবেদন চৰকাৰে লাভ কৰিছিল। লিখিত আৰু মৌখিক পৰীক্ষাৰ পিছত যোৱা ১৫ অক্টোবৰত চূড়ান্ত ফলাফল ঘোষণাৰ অন্তত আজি ৪, ৩৬৯গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদান কৰা হৈছে। এই নিযুক্তি-পত্ৰ বিতৰণৰ সময়লৈকে সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছভাৱে আৰু ত্ৰুটিবিহীনভাৱে কৰাৰ বাবে আদালতত এটাও গোচৰ ৰুজু হোৱা নাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই নতুনকৈ নিযুক্তি লাভ কৰাসকলক প্ৰথমে অৰুণোদয় আঁচনিৰ পৰা নাম কৰ্তন কৰিবলৈ আহ্বান জনাই কয়- নিযুক্তিপ্ৰাপ্ত পৰিয়ালৰ কোনোৱে যদি অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰি আছে, তেন্তে আজিয়েই আঁচনিখনৰ পৰা নাম প্ৰত্যাহাৰ কৰক। মুখ্যমন্ত্ৰীয়ে নৱনিযুক্তসকলক পিতৃ-মাতৃৰ প্ৰতি অসীম শ্ৰদ্ধাশীল হৈ থাকিবলৈ আহ্বান জনাই কয়- নিযুক্তিপ্ৰাপ্ত প্ৰতিজনেই পিতৃ-মাতৃৰ আশীৰ্বাদৰ বলতেই তেওঁলোকে এই সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। প্ৰথম মাহৰ দৰমহাৰ ধনেৰে পিতৃ-মাতৃৰ প্ৰতি একোটাকৈ উপহাৰ আগবঢ়াবলৈও নিযুক্তিপ্ৰাপ্তসকলক আহ্বান জনায়। তেনেদৰে নিয়মীয়াকৈ কিছু ধন সঞ্চয় কৰি কোনো উপাসনাস্থলীলৈ দান-বৰঙণি আগবঢ়াবলৈও মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ প্ৰদান কৰে। নিযুক্তি - পত্ৰ প্ৰদান অনুষ্ঠানত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, কেশৱ মহন্ত, ইউজি ব্ৰহ্ম, চন্দ্ৰমোহন পাটোৱাৰী, যোগেন মহন, জয়ন্ত মল্লবৰুৱা, নন্দিতা গাৰ্লোছা, প্ৰশান্ত ফুকন, কৃষ্ণেন্দু পাল, সাংসদ ভুবনেশ্বৰ কলিতা, অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, আয়ুক্ত সচিব এম এছ মণিৱন্ননকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Assam Governor inaugurates 2nd Northeast Healthcare Management Conclave




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya inaugurated the 2nd Northeast Healthcare Management Conclave at a city hotel here. The conclave was organised by the Association of Healthcare Providers India (AHPI), North East Chapter, on a theme "Strengthening Patient Care and Infrastructure for a Resilient Northeast." Speaking on the occasion, Governor Shri said that it was a matter of great pleasure to participate in a programme devoted to strengthening the healthcare sector. He said that in India's rich tradition, health has always been accorded the highest priority. He said that a healthy individual always forms the basis of a healthy society and, in turn, a healthy nation. The Governor emphasised that healthcare goes far beyond the diagnosis and treatment of diseases. It is a vital mecanism for protecting human dignity, ensuring social justice, and fulfilling the constitutional responsibility of the State. An effective healthcare system, he noted, must be rooted in trust and compassion, while guaranteeing timely, accessible, affordable, and quality services for all citizens. Highlighting the unique challenges of the North Eastern region, such as difficult terrain, and cultural diversity, the Governor underlined the critical importance of strengthening healthcare delivery systems in the region. In this context, he described the conclave as highly significant, as it brings together management and clinical excellence guided by scientific and patient-centric approaches.

## RCB defeated defending champions MI by 3 wickets



RB News: South African star Nadine de Klerk's stunning all-round show powered Royal Challengers Bengaluru to a sensational three-wicket win over defending champions Mumbai Indians in the opening match of the WPL here on Friday. MI posted 154-6 in their 20 overs, with Sajeevan Sajana scoring 45(25) and Nadine de Klerk picking up four wickets. In reply, RCB chased the 155-run target on the last ball, with De Klerk smashing 63*(44).

## ICC rejects Bangladesh's request to shift T20 WC games



RB News: The International Cricket Council (ICC) has rejected the Bangladesh Cricket Board's request to shift its T20 World Cup matches out of India. According to a report, ICC reportedly told BCB that Bangladesh will need to travel to India to play T20 World Cup or risk forfeiting points. The BCB had requested to shift matches after KKR released Mustafizur Rahman.

## Ireland announce squad for T20 World Cup 2026



RB News: Ireland have announced their squad for the T20 World Cup 2026, with 35-year-old all-rounder Paul Stirling named captain. There are three changes from the side that featured in the 2024 edition in the West Indies and the USA, with Tim Tector, Ben Calitz and Matthew Humphreys included. Ireland are placed in Group B alongside Zimbabwe, Oman, Australia and Sri Lanka.

## ISL to start Feb 14, all clubs to participate: Sports Minister



RB News: The Indian Super League (ISL) will finally start its new season on February 14, Union Sports Minister Mansukh Mandaviya announced. "There was a lot of speculation regarding the ISL, but today the government, the football federation and all 14 clubs had a meeting and we have decided that the ISL will start on February 14. All clubs will participate," Mandaviya said. He confirmed that traditional rivals Mohun Bagan and East Bengal would also be part of the season.

# Assam Governor visits Morigaon district




Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya visited Morigaon district, took a note of all key developmental initiatives in the district. He also interacted with the beneficiaries, officials, and grass root stakeholders to assess the impact created by the government initiatives among the people. The Governor visited Kumoi Anchalik Secondary School, where he spent time with the students and had mid-day meal with them. He advised the students to have nutritious meal as it would help them to grow both physically and mentally. He also hailed the school authority for providing nutritious food in the midday meal. The Governor while having the food with the students, interacted warmly with them and asked them to pursue excellence in academics as well as in co-curricular activities. He also termed them as the future architects of a Viksit Bharat and urged them to work hard with discipline and determination. He also took note of the requirements of the school and assured all help to meet them. The Governor later visited the Amrit Sarovar site at the Krishi Vigyan Kendra (KVK), Morigaon, where he took note of the ongoing works and directed officials to undertake plantation drives to enhance green cover. Shri Acharya also chaired a review meeting at the KVK with the District Commissioner and heads of various departments. During the meeting, the Governor took stock of the implementation of various Central and State government schemes. He also took note of the differences made by the schemes in the lives of the beneficiaries. Minister Water Resources etc. Pijush Hazarika accompanied the Governor during the visit.

# ২০২৫ ৰ গ্ৰন্থমেলা আৰু ইয়াৰ অনুভৱ

পৰিস্মিতা বৰা হাজৰিকা, মাজুলী

খানাপাৰাস্থিত অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেল পথাৰত ১৪ দিনীয়া যি অসম গ্ৰন্থমেলা আয়োজন কৰা হৈছিল এটা শুভ দিনত সেই বৰ্ণিল ইতিহাসৰ সাক্ষী হবলৈ পাই নিজকে ধন্য মানিছো।

জানিব পৰা মতে ৭ কোটি ৪০ লাখ টকাৰ কিতাপ বিক্ৰীৰ যি অভিলেখ গঢ়িলে সচাকৈয়ে প্ৰশংশনীয়। বৰ্তমান সময়ত হেৰাই যোৱা সেই গ্ৰন্থৰ সুবাস আকৌ ঘুৰি আহিছে পাঠকৰ মাজলৈ। কিতাপৰ সুগন্ধি, লেখকৰ সান্নিধ্য, লেখক-পাঠকৰ ঘনিষ্ঠতা, সাংস্কৃতিক অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচন আদিয়ে এক উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি কৰে। গ্ৰন্থমেলা হ'ল-গ্ৰন্থৰ বজাৰ, যত অগণন গ্ৰন্থপ্ৰেমীৰ সোঁত বয়। লানি নিচিগা ভিৰ হয়। মাজতে যান্ত্ৰিকতাৰ দৌৰত হেৰাই গৈছিল সেই সুবাস আৰু লেখক-পাঠকৰ সেই ঘনিষ্ঠতা। আকৌ জাগ্ৰত হৈছে সেই সুবাসৰ। ন-পুৰণি লেখকৰ গ্ৰন্থই ভৰি পৰিছে প্ৰতিখন বিপণী। প্ৰতিটো প্ৰকাশনৰ যি উৎসাহ দেখি ভাল লাগিল। এইবাৰ গ্ৰন্থমেলাত অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ দেৱৰ কেইবাখনো কিতাপেও বিশেষ সমাদৰ লাভ কৰা দেখা গৈছে। এইছেগতে কৌশিক নন্দন দাদাৰ " ৰাগ গুণগুণ" কথাও উল্লেখ কৰিবই লাগিব আৰু "অদ্ধ আকাশ" নামৰ এটা ফেচবুক গ্ৰুপে জন্ম দিয়া ন লেখাৰু সকলৰ গ্ৰন্থই ভৰি পৰিছে প্ৰতিখন বিপণী।

নিজে নেদেখিলে হয়তো কিছুমান কথা কল্পনাও কৰিব নোৱাৰি। গ্ৰন্থ অধ্যয়নৰ প্ৰতি যাৰ হাবিয়াস আছে তেওঁলোকক বয়সেও বাধা দি ৰাখিব নোৱাৰে। লাখুটিত ভৰ দি গ্ৰন্থমেলালৈ সোমাই অহা দুই বৃদ্ধক দেখি সচাকৈয়ে আপ্লুত হলোঁ। হয়তো যুৱপ্ৰজন্মৰ বাবে এইসকলৰ




অৰিহণা সমাজত সদায়েই আছে। যুৱপ্ৰজন্মক আগুৱাই নিয়াত অভিভাৱক স্বৰূপ এই ককা আইতা সকলৰ লিখন শৈলী, পঠন শৈলী সদায় মনত ৰাখিব লগীয়া।

অসম শিশু সাহিত্য ন্যায়ৰ যি প্ৰচেষ্টা সচাই ভাল লাগিল। শিশু উপযোগী প্ৰতিখন গ্ৰন্থই শিশু কৌতুহলী মনত আনন্দৰ খোৰাক যোগাবলৈ সক্ষম হৈছে। ২০২৬ বৰ্ষৰ আৰম্ভণিৰ সুন্দৰ মুহূৰ্তটো সচাকৈয়ে স্মৰণীয় হৈ ৰব মোৰ বাবে।




ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286